# যোগেশ দাস

অসমীয়া সাহিত্যত প্ৰথিতযশা সাহিত্যিক যোগেশ দাসৰ গল্পত জীৱন আৰু সমাজৰ প্ৰতি অনুভূতি আৰু দৃষ্টিভংগী স্পষ্ট । সাৰ্থক ঔপন্যাসিক আৰু নাট্যকাৰ ৰূপেও খ্যাতিমান যোগেশ দাসৰ সহজ সৰল আৰু অনাড়ম্বৰ গদ্যশৈলীৰ মাজেৰে বিষয়বস্তুৰ বিন্যাস ঘটোৱা গল্পৰ প্ৰকাশভংগী সংহত আৰু সংযত। বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত আজিৰ সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহখিনিৰ প্ৰতি তেওঁৰ আন্তৰিক সহানুভূতি থকাৰ উপৰিও সেই সমস্যাৰ সমাধানৰ প্ৰচেষ্টাও তেওঁৰ গল্পত আছে।

*পপীয়া তৰা* (১৯৫৭), *আন্ধাৰৰ আঁৰে আঁৰে* (১৯৫৯) *ত্ৰিবেণী* (১৯৬১), *মদাৰৰ বেদনা* (১৯৬৩), *হেজাৰ লোকৰ্ভিৰ* (১৯৬৫), *পৃথিৱীৰ অসুখ* (১৯৭৯) যোগেশ দাসৰ উল্লেখযোগ্য গল্প সংকলন। ১৯৮০ চনত *পৃথিৱীৰ অসুখ* গল্প সংকলনটোৰ বাবে তেওঁ সাহিত্য অকাডেমী বঁটা লাভ কৰে।

অসম সাহিত্য সভাৰ ১৯৮৫ চনৰ বিহপুৰীয়া অধিবেশনৰ সভাপতি যোগেশ দাসৰ জন্ম ডুমডুমাৰ হাঁহচৰা বাগানত, ১৯২৭ চনত। কটন কলেজৰ পৰা স্নাতক হৈ তেওঁ ১৯৫৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত স্নাতকোত্তৰ উপাধি লাভ কৰে। কৰ্ম জীৱনৰ এছোৱা সাংবাদিকতাত কটাই তেখেতে অৱশেষত অধ্যাপনাত মনোনিবেশ কৰে আৰু বি. বৰুৱা কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপকৰূপে ১৯৮৮চনত অৱসৰ গ্ৰহণ কৰে। অসমৰ বাতৰি কাকতৰ ডেৰশ বছৰীয়া জয়ন্তী সমিতিয়ে তেওঁক জ্যেষ্ঠ সাংবাদিক ৰূপে ১৯৯৬ চনত সম্বৰ্দ্ধনা জনায়। ১৯৮৯ চনত তেওঁ *এনাজৰী* উপন্যাসৰ বাবে অসম সাহিত্য সভাৰ সীতাৰাম ব্ৰহ্মচৌধুৰী বঁটা আৰু ১৯৯৪ চনত অসম উপত্যকা সাহিত্য বঁটা লাভ কৰে।

২য় মহাযুদ্ধৰ পটভূমিত লিখা *ডাৱৰ আৰু নাই* (১৯৫৫) উপন্যাসখন যোগেশ দাসৰ জীৱনৰ অক্ষয় কীৰ্তি । তেওঁ অন্যান্য উল্লেখযোগ্য উপন্যাস কেইখনমান হ'ল- *জোনাকীৰ জুই* (১৯৫৯), *ছাঁ জুই খেদি* (১৯৬১), *নিৰুপায় নিৰুপায়* (১৯৬৩), *এমুঠি ধূলি* (১৯৬৫), *এনাজৰী* (১৯৮৭), *এজন খঙাল মানুহ* (১৯৮৯) ইত্যাদি ।

যোগেশ দাস *ৰামধেনু* আৰু তাৰ পৰবৰ্তী কালৰ লেখক। কোনো কোনো ক্ষেত্ৰত তেওঁৰ গল্পৰ বিষয়বস্তু, ভাৱবস্তু আৰু আংগিকত কিছু পৰিমাণে আৱাহন যুগৰ ধ্বনিও শুনা যায়। যুদ্ধোত্তৰ যুগৰ অসমীয়া সমাজখনৰ সাৰ্থক চিত্ৰ তুলি ধৰিবলৈ তেওঁ ব্যক্তি জীৱনৰ অভ্যন্তৰত প্ৰৱেশ কৰাৰ প্ৰচেষ্টা অনুভূত হয়। বাস্তৱবোধে ক্ৰিয়া কৰা তেওঁৰ গল্পবোৰত গভীৰ জীৱনবোধৰ স্বাক্ষৰ আছে। ৰামধেনুৰ

যুগৰ এই অন্যতম প্ৰতিভাশালী গল্পকাৰজনে নিজৰ গল্পৰ বিষয়ে এইদৰে কৈছে-

> দীঘল চুটিৰ কথা, টেক্‌নিকৰ কথা মই বৰকৈ নাভাবোঁ। মই চুটি গল্পক মানৱ মনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সংঘাতৰ সাহিত্যিক প্ৰকাশৰ সৰ্বশ্ৰেষ্ঠ মাধ্যম বুলি ভাবোঁ। মোক দৰাচলতে চিনাকি ঘটনা, চৰিত্ৰ বা কোনো কাহিনীয়েই গল্প লিখিবৰ বাবে প্ৰেৰণা আৰু সমল যোগাই আহিছে।[২৮২]

যোগেশ দাসৰ গল্পৰ বিষয়বস্তু আৰু ভাৱবস্তু সহজ সৰল। দ্বন্দ্বমুখৰ জটিল বিষয় তেওঁৰ গল্পত পাবলৈ নাই হেতুকে পাঠকৰ মনত জীৱন সম্পৰ্কে গভীৰ ঔৎসুক্যৰ সৃষ্টি নহয়। দাসৰ গল্পৰ বিষয়ে ত্ৰৈলোক্য নাথ গোস্বামীয়ে কৈছে –

> কিছুমান গল্পৰ বিষয়বস্তু তেনেই সাধাৰণ। সাধাৰণ কাহিনীৰ মাজত কোনো এক বিচিত্ৰ ভাৱনা আৱিষ্কাৰৰ চেষ্টাও তেওঁৰ নাই। দুটা এটা গল্প বৰ্ণনা আৰু কথোপকথনৰ মাজেদি আগবাঢ়ি সাধাৰণভাৱেই সমাপ্ত হৈছে ।[২৮৩]

জটিল বিষয় বা গভীৰ দ্বন্দ্বৰ অৱতাৰণা দাসৰ গল্পবোৰত নথকাৰ বাবেই পাঠকৰ মনত চিন্তাৰ উদ্ৰেক নোহোৱাৰ দৰেই গল্পৰ চৰিত্ৰবোৰো স্বকীয় মহিমাৰে মহিমামণ্ডিত হৈ উঠিব পৰা নাই। ফলস্বৰূপে এইবোৰ পাঠকৰ মনত বিশেষভাৱে ৰেখাপাত কৰিব নোৱাৰে। ত্ৰৈলোক্য নাথ গোস্বামীৰ মতে–

> দাসৰ গল্পৰ চৰিত্ৰবোৰৰ মাজত মানসিক দ্বন্দ্ব আছে, কিন্তু এই দ্বন্দ্ব স্পষ্ট হোৱা নাই। তেওঁৰ গল্পৰ মাজেদি কোনো তত্ত্বৰ ব্যঞ্জনা চকুত নপৰে।[২৮৪]

যোগেশ দাসৰ গল্পৰ চৰিত্ৰবোৰ সাধাৰণতে উদাসীন, দুৰ্বল আৰু পৰিপাৰ্শ্বিকতাৰ দাস। তেনে এটা চৰিত্ৰ হৈছে দাসৰ বিখ্যাত গল্প 'কলপটুৱাৰ মৃত্যু'[২৮৫]ৰ নায়ক ধনীৰাম। ধনীৰাম পৰিস্থিতিৰ দাস। গাঁৱলীয়া জীৱনৰ দুৰ্দশা,সংঘাত আৰু নিৰুপায় অৱস্থাৰ এক অপূৰ্ব বাস্তৱ চিত্ৰ ইয়াত প্ৰকাশ পাইছে। মৌজাদাৰৰ লৰা বৰবোপাৰ দ্বাৰা অন্তঃসত্বা হোৱা বনকৰা ছোৱালী ৰূপেশ্বৰীক পুৰণি লগুৱা ধনীৰামৰ হাতত মৌজাদাৰহঁতে গতাই দিয়ে খাজানা ৰেহাই আৰু দুশ টকাৰ বিনিময়ত। ধনীৰামে পাঠকৰ সহানুভূতি লাভ কৰিব পাৰে। কিয়নো দুবেলা দুমুঠি অন্ন যোগাৰ কৰাটোৱেই যাৰ একমাত্ৰ চিন্তা তাৰ আকৌ কিহৰ

---

২৮২। নগেন শইকীয়া (সম্পা)- *আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ*, পৃঃ ১৬১ ।

২৮৩। ত্ৰৈলোক্য নাথ গোস্বামী – 'অসমীয়া চুটিগল্পৰ ক্ৰমবিকাশ', *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়*, পৃঃ ১৮৬ ।

২৮৪। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৮৬

২৮৫। যোগেশ দাস- কলপটুৱাৰ মৃত্যু, *ৰামধেনু*, ৫ম বছৰ, ১২ শ সংখ্যা

পাপ-পুণ্য, ভাল-বেয়া,উচিত-অনুচিতৰ হিচাপ কৰিবলৈ আছে। কিন্তু তথাপিও ধনীৰাম চৰিত্ৰটো স্বকীয় মহিমাৰে গতিশীল নহয়।সগৰ্ভা ৰূপাক গ্ৰহণ কৰিবলৈ ওলাওঁতে তাৰ কোনো ধৰণৰ মানসিক সংঘাত সৃষ্টি নহয়। তেনেদৰে ৰূপেশ্বৰীৰো কোনোধৰণৰ অৰ্ন্তজগতৰ দ্বন্দ্ব,আক্ষেপ-খেদ বা দুখৰো সংকেত পোৱা নাযায়। গল্পটোৰ জৰিয়তে লেখকৰ সমাজ সচেতন মনটোৰ পৰিচয় পোৱা যায়। নিঃকিন মানুহৰ অসহায়তাৰ সুযোগ গ্ৰহণ কৰি জীৱন-যৌৱনক লৈ হেতালি খেলি পিচত নিজৰ মান-সন্মান ৰক্ষা কৰাৰ এক অতি স্বাৰ্থপৰ মানসিকতা এই গল্পটোৰ জৰিয়তে পোহৰলৈ আহিছে ।গল্পকাৰ দাসৰ বাস্তৱ চিত্ৰধৰ্মী বৰ্ণনাই পাঠকক সততে মোহিত কৰে। তদুপৰি তেওঁৰ গল্পত থকা নাট্যগুণধৰ্মিতাই সোণতে সুৰগা চৰায়। উদাহৰণ স্বৰূপে–

> কৃষ্ণ কৃষ্ণ ! থুঃথুঃ ! গেটতে ধনীৰাম ৰয়। দিনে-পোহৰে এই প্ৰকাণ্ড ঘৰটো গম্ভীৰ হৈ থাকিব পায়নে ? পুৰণি দুমহলীয়া কাঠৰ ঘৰ, পিছত পকী কৰোৱা এবুকুৱা ভেটিটোত শেলাই গজিছে। ওপৰলৈ যোৱা খটখটীডাল পৰি যাওঁ পৰি যাওঁ হৈ আছে। দুৱাৰ-খিৰিকী সকলো খোলা কিন্তু মানুহৰ নাম- গোন্ধেই নাই। ফুলগছবোৰো বেছ কেঁচাই,ফুলো ফুলিছে কিন্তু থমথমকৈ ৰৈ আছে। বতাহ এছাটিও মাৰিব নেপায়নে ? বহল গেটখনৰ কাঠ এছটা এৰি আছে,দাঁত নিকটাই থকাৰ দৰে দেখি । অমংগলৰ চিন বুলি ভাবিবলৈ তাৰ ভয় লাগে।বুকুখন কঁপি উঠে। কৃষ্ণ কৃষ্ণ! থুঃথুঃ![২৮৬] ৫

এনে ধৰণৰ বৰ্ণনাই পাঠকৰ মনত পৰিচিত বাস্তৱ পৰিৱেশ একোটাৰ সৃষ্টি কৰে আৰু এনে পৰিৱেশবোৰ নাটকীয় দৃশ্যপটৰ দৰে সজাই তোলে বাবে দাসৰ গল্পই পাঠকক অনুভৱ কৰায় যে তেওঁ নিজেও গল্পটোৰ মাজত আছে, গল্পটো কেৱল পঢ়া নাই। সেয়েহে বৰ বিশেষ তাৎপৰ্যকৰ ভাৱবস্তু নাথাকিলেও দাসৰ গল্পৰ এই সহজ আৱেদন সৰ্বজনস্বীকৃত।

'কলপটুৱাৰ মৃত্যু' গল্পটোৰ শেষৰ বাক্যষাৰত প্ৰকাশ পোৱা শ্লেষৰ বাবেও গল্পটো উল্লেখযোগ্য। কিয়নো এনে ধৰণৰ শ্লেষাত্মক সামৰণি অসমীয়া গল্পত বিৰল আৰু ইয়েই গল্পটোৰ অভিনৱত্ব বঢ়াইছে। মৌজাদাৰৰ ঘৰৰ পৰা যোগাৰ কৰি দিয়া ঘোঁৰা গাড়ীখনত সগৰ্ভা ৰূপাক লৈ যাওঁতে তাৰ মনত পৰে- এদিন মদাৰতলত অকলশৰে পাই সি তাইক ঘোঁৰাবাগীত পলুৱাই নিম বুলি কৈছিল ! গল্পটোৰ সৰল বৰ্ণনাভংগী,ভাৱ-বস্তুৰ একময়তা, ফলশ্ৰুতিৰ একময়তা আৰু বৰ্ণনাৰ সংযম লক্ষণীয় দিশ। তদুপৰি পৰিণতিমুখী উৎকণ্ঠাও ৰক্ষিত হৈছে। উপেন্দ্ৰ নাথ শৰ্মাদেৱে এই

২৮৬ । যোগেশ দাস- 'কলপটুৱাৰ মৃত্যু', *অসমীয়া গল্পগুচ্ছ*, পৃঃ ১৪২

গল্পটোৰ সম্পৰ্কে মন্তব্য কৰিছে যে এইটোৱেই সম্ভৱতঃ যোগেশ দাসৰ সৰ্বশ্ৰেষ্ঠ চুটিগল্প ।[২৮৭]

পুৰুষ-নাৰীৰ প্ৰেমক লৈও যোগেশ দাসে গল্প লিখিছে। কিন্তু সেই ৰসত পাঠকৰ অন্তৰ পৰশি গৈ তেনে অনুভূতিৰে নিমজ্জিত হোৱাৰ উদাৰহণ পাবলৈ টান।

> স্ত্ৰী-পুৰুষৰ আকৰ্ষণৰ ছবি তেওঁ আঁকিছে। ক'তো ক'তো এই আকৰ্ষণ আগতে গঢ়ি উঠা আকৰ্ষণ। কিন্তু প্ৰকৃত প্ৰেমৰ গভীৰতা তেওঁ ক'তো দেখুওৱা নাই। আত্মিক প্ৰয়োজনৰ ওপৰত তেওঁৰ আস্থা কম। সেইবাবে দৈহিক প্ৰয়োজনৰ ওপৰলৈ উঠাৰ চেষ্টা তেওঁ নকৰে।[২৮৮]

যোগেশ দাসৰ গল্পৰ সফলতাৰ অন্যতম এটা কাৰণ হৈছে তেওঁৰ বাকভংগীৰ স্বকীয়তা। সৰল বাক ভংগীৰ সহায়ত অজটিল ঘটনাৰ প্ৰকাশৰ মাজতেই তেওঁৰ গল্পৰ সৌন্দৰ্য নিহিত আছে। দাসৰ এই বৈশিষ্ট্যৰ বিষয়ে উপেন্দ্ৰ নাথ শৰ্মাই মন্তব্য দিছে—

> যোগেশ দাসৰ কথনভংগী সহজ-সৰল আৰু সহজাত। তেখেতৰ বাস্তৱ চেতনাও প্ৰখৰ আৰু তাৰ প্ৰকাশ ৰীতিও প্ৰচ্ছন্ন।[২৮৯]

ডুমডুমাৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক থকাৰ বাবে দ্বিতীয় মহাসমৰৰ সঁচা অভিজ্ঞতা যোগেশ দাসৰ হৈছিল। সেয়েহে যুদ্ধৰ পটভূমিত তেওঁ কেইবাটাও গল্প ৰচনা কৰিছে। এনে কেইটামান গল্প হ'ল – 'বনমালী চৌধুৰী', 'তেতিয়া ৰাতি বাৰ', 'বুদ্ধদেৱ'।

যুদ্ধই কিছুমান মানুহলৈ আনিলে বিৰাট সম্পদ আৰু কিছুমানলৈ আনিলে ভয়ংকৰ দুৰ্যোগ। যিয়ে যুদ্ধৰ লাভজনক পৰিবেশত চল চাই কঠিয়া পাৰি সোণালী সুযোগ আদায় কৰিব পাৰিলে সেইজনৰ অৱস্থা নগণ্যৰ পৰা উন্নতিৰ তুংগত উঠিলেগৈ। চাউলৰ দাম প্ৰতি মোনত ৮০ টকা হ'লগৈ--তাতেই বেচোঁতা আৰু কিনোতাৰ প্ৰভেদ পৰিলক্ষিত হয়। এইদৰে মহাযুদ্ধৰ সময়ত চোৰাং ব্যৱসায় কৰি চৰা দামত খাদ্য সামগ্ৰী বেচি ৰাইজক সৰ্বস্বান্ত কৰাৰ চক্ৰান্তকাৰী ব্যৱসায়ীৰ স্বৰূপ ফুটি উঠিছে 'বনমালী চৌধুৰী'[২৯০] গল্পটোত। ইয়াত পঞ্চাশ চনৰ প্ৰলয়ংকাৰী ভূমিকম্পৰ ভয়াবহতাৰ আভাসো

---

২৮৭। উপেন্দ্ৰ নাথ শৰ্মা – 'চুটিগল্প' (১৯৫০ - ১৯৯০), *অসমীয়া সাহিত্যৰ বুৰঞ্জী*, পৃঃ ৪৪৯

২৮৮। ত্ৰৈলোক্য নাথ গোস্বামী – 'অসমীয়া চুটিগল্পৰ ক্ৰমবিকাশ',*আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়*, পৃঃ ১৬৮

২৮৯। উপেন্দ্ৰ নাথ শৰ্মা– 'ৰামধেনু যুগৰ গল্প আৰু গল্পকাৰ', *প্ৰকাশ*, ১০ম বছৰ, ১ম সংখ্যা

২৯০। যোগেশ দাস– 'বনমালী চৌধুৰী', *ৰামধেনু*, ৩য় বছৰ, ১১শ-১২শ সংখ্যা ।

আছে। অসমৰ সীমাক চুইযোৱা এই যুদ্ধৰ ফলত সৃষ্টি হোৱা সন্ত্ৰাস আৰু বিভীষিকাৰ বৰ্ণনা থকা আন এটা গল্প হৈছে ‘তেতিয়া ৰাতি বাৰ’।[২৯১] যুদ্ধৰ পৰিৱেশে মানুহৰ নৈতিক চৰিত্ৰৰ স্খলনতো কেনেদৰে অৰিহণা যোগাইছিল তাৰ সম্যক ধাৰণা ইয়াত আছে।

বিশাল অবয়বৰ শান্ত, সৌম্য মুখমণ্ডলৰ অধিকাৰী মাৰ্কিন চিপাহী ছেমুৱেল জাৰিগাৰ জীৱন সম্পৰ্কে থকা গভীৰ আন্তৰিক উপলব্ধিৰ কাহিনীৰে বৰ্ণিত হৈছে ‘বুদ্ধদেৱ’[২৯২] গল্পটো। সাধাৰণ চিপাহীৰ সৰ্বজনীন বৈশিষ্ট্যবোৰৰ বিপৰীতে ছেমুৱেল আছিল নিঃসংগতাপ্ৰিয়, ভাবুক আৰু সংসাৰৰ প্ৰতি উদাসীন। বহু মনীষীৰ জন্মস্থান এই ভাৰতবৰ্ষৰ কথা পল ব্ৰান্টন আৰু স্বামী যোগানন্দৰ কিতাপত পঢ়ি আধ্যাত্মিক উৎকৰ্ষৰ চৰ্চাৰ কেন্দ্ৰভূমি ভাৰতলৈ অহাৰ সুযোগ হিচাপেই যুদ্ধত সৈনিক ৰূপে যোগদান কৰে আৰু নিজৰ পুত্ৰ-পৰিবাৰ এৰি থৈ আহি ভাৰতবৰ্ষ পায়হি। সাধাৰণ চিপাহী হৈ মানুহৰ মুক্তিৰ কথা চিন্তা কৰা এইজন ব্যতিক্ৰম ব্যক্তিক লগৰীয়াসকলে তুচ্ছ-তাচ্ছিল্য কৰি দিয়া নাম বুদ্ধদেৱৰ লগত লেখকে প্ৰকৃতাৰ্থকেই এক সাদৃশ্য বিচাৰি পালে।

‘বুদ্ধদেৱ’ গল্পটোৰ বিষয়বস্তু আৰু ভাৱব্যঞ্জনা অৰ্থৱহ তথা চিন্তা উদ্ৰেককাৰী। একেটি মাথোন কেন্দ্ৰীয় চৰিত্ৰত গুৰুত্ব আৰোপ কৰি কাহিনীটো আগবঢ়াই নিয়াত ই সুখপাঠ্য হৈছে। ইয়াৰ জৰিয়তে লেখকৰ গভীৰ অৰ্ন্তদৃষ্টি অনুমান কৰিব পাৰি। চুটিগল্পৰ কথাবস্তুৰ ভাৰসাম্য, ৰসাল বৰ্ণনাভংগী আৰু অতৃপ্ত আস্বাদ প্ৰদান কৰিব পাৰিলেই গল্প ৰসোতীৰ্ণ হৈ উঠে। এই গল্পটোৰ কথাবস্তুৱে ভাৰসাম্য ৰক্ষা কৰিব পাৰিছে। গল্পটোৰ সৰল বৰ্ণনাভংগী, ভাৱবস্তুৰ একময়তা আৰু বৰ্ণনাৰ সংযমো উল্লেখযোগ্য। তদুপৰি আৰম্ভণিৰ নাট্যগুণধৰ্মী আকস্মিকতা, চৰিত্ৰৰ মানসিকতাৰ তথা ব্যক্তি উপযোগী সংলাপ আদিয়ে গল্পটোৰ ৰহণ চৰাইছে।

যোগেশ দাসৰ ‘টেমেকা’ [২৯৩] গল্পটো কিছু পৰিমাণে ‘কলপটুৱাৰ মৃত্যু’ গল্পটোৰ সমাৰ্থক। শক্তিশালী সক্ৰিয় চৰিত্ৰ সৃষ্টিৰ প্ৰতি থকা দাসৰ উদাসীনতা ইয়াতো প্ৰতীয়মান হৈছে। বিষয়বস্তু আৰু

---

২৯১ । যোগেশ দাস– ‘তেতিয়া ৰাতি বাৰ’, *ৰামধেনু*, ৫ম বছৰ, ১ম সংখ্যা

২৯২ । যোগেশ দাস- ‘বুদ্ধদেৱ’,*ৰামধেনু*, ১৪শ বছৰ, ৯মসংখ্যা

২৯৩ । যোগেশ দাস- ‘টেমেকা’, *ৰামধেনু*, ১১শ বছৰ, ১২ শ সংখ্যা

চৰিত্ৰাংকনৰ ফালৰ পৰা চালে এই গল্প দুটাৰ মিল দেখা যায়। 'কলপটুৱাৰ মৃত্যু'ৰ ধনীৰামৰ দৰে 'টেমেকা'ৰ মহীধৰো নিৰ্জীৱ আৰু পাৰিপাৰ্শ্বিকতাৰ দাস। ধনীৰামৰ দৰে মহীধৰো দুৰ্বল চৰিত্ৰৰ। এই দুৰ্বলতা কেৱল অভাৱ, নিপীড়নৰ ফলস্বৰূপে ওপজা দুৰ্বলতা নহয় – ই কিছু পৰিমাণে জন্মগত দুৰ্বলতা। চহৰৰ এজন আঢ্যবন্ত উকীলৰ অবৈধ সন্তান মহীধৰে মুখৰা ঘৈণীয়েকৰ পৰা সততে তুচ্ছ তাচ্ছিল্য সহ্য কৰিবলগীয়া হয়। নিজৰ ঘৈণীয়েক আৰু সমাজৰ ওচৰত সি আত্মসমৰ্পণ কৰিছে অবৈধ সন্তানৰ গঞ্জনা শিৰত তুলি লৈ। ধনীৰাম আৰু মহীধৰ এই দুয়োটা চৰিত্ৰয়েই লাভ কৰিব নোৱাৰিলে প্ৰকৃত জীৱনৰ স্বীকৃতি, সামাজিক মৰ্যাদা।

যোগেশ দাসৰ গল্পবোৰৰ বিষয়বস্তু তথা ভাৱবস্তুৰ পৰা ফালৰি কাটি আহি এটা ব্যতিক্ৰমধৰ্মী গল্পৰূপে প্ৰতিষ্ঠিত হৈছে 'এজন অসৎ লোকৰ আত্মজীৱনী' গল্পটো। তেওঁৰ অন্যান্য গল্পবোৰত প্ৰকাশ পোৱা পাঠকৰ পৰিচিত নায়কজনক লেখকে এইবাৰ বেলেগ ৰূপত উপস্থাপন কৰিছে। এনেকুৱা চৰিত্ৰ সাধাৰণতে দাসৰ কলমৰ পৰা নোলায়। –"মই কেইবাটাও মানুহ মাৰিছোঁ। জেইলত থকা দিনৰ মই লেখ দিব নোৱাৰোঁ। বহু ঠাইত ডকাইতি কৰিছোঁ, মদ আৰু মাইকীৰ অপব্যৱহাৰৰতো সীমা-সংখ্যা নাই। মোক চিনি পোৱা আৰু চিনি নোপোৱা কিন্তু মোৰ নাম শুনা সকলো মানুহে এইবোৰ কথা জানে। কিন্তু মই নকৰা বহু অপকৰ্মৰ কথা সিহঁতে কল্পনাও কৰি লয়।"[২৯৪] এয়া হ'ল গল্পৰ নায়কৰ নিজৰ কথা। এইজন নায়কেই অৱশ্যে নিজৰ সম্পৰ্কীয় ভাতৃৰ ঘৰ-সংসাৰৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ সাধ্যানুসৰি চেষ্টা কৰিছে। শৈশৱৰ পৰা আৰম্ভ কৰি জীৱনৰ প্ৰতিটো স্তৰতেই লাভ কৰা অনাদৰ-অৱহেলা, অন্যায়ে কিদৰে এটা অনাকাংক্ষিত জীৱনৰ জন্ম দিয়ে – এই সত্যৰ উপলব্ধি হয় গল্পটো পঢ়াৰ পিছত। সমাজৰ অৱহেলাই এই জীৱনকো কদৰ্যভাৱে উপভোগ্য কৰে –

> গধূলিৰ লগে লগে আমাৰ আচল পৃথিৱীখনত ৰাতিপুৱাই। মদ, বেশ্যালয়, জুৱা, চুৰি-ডকাইতি, মাৰপিট আদিৰ মাজত আমি সহজ হৈ পৰো। জীৱনটো সঁচাকৈয়ে উপভোগ্য যেন লাগে।[২৯৫]

কোনো এটা কাহিনী ক'বলৈ আৰম্ভ কৰাৰ দৰে এই গল্পটো আৰম্ভ হৈছে। আকস্মিক

২৯৪। যোগেশ দাস- 'এজন অসৎ লোকৰ আত্মজীৱনী', *ৰামধেনু*, ১২শ বছৰ, ৫ম সংখ্যা, পৃঃ ৪৬০

২৯৫। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৪৬৪

আৰম্ভণি আৰু নাটকীয় পৰিণতি ইয়াত পাবলৈ নাই। মাজৰছোৱাত বিভিন্ন সংঘাত আৰু শেষত পুলিচৰ পৰা আত্মগোপন কৰি থকা অৱস্থাৰে গল্পটোৰ সামৰণি মৰা হৈছে। সমগ্ৰ গল্পটোৰ কোনো ঠাইতেই নায়কৰ নাম ভুলক্ৰমেও প্ৰকাশ হোৱা নাই। নামকৰণৰ সৈতে গল্পটোৰ কাহিনীৰ অগ্ৰগতিৰ মিল আছে। 'এজন অসৎ লোকৰ আত্মজীৱনী' বুলি নামাংকন কৰা এই গল্পটো আত্মজীৱনীৰ দৰেই নায়কৰ জন্মৰ চন, তাৰিখ, পিতৃ-মাতৃৰ কথাৰে আৰম্ভ হৈছে। নিগেটিভ চৰিত্ৰ হ'লেও এই গল্পৰ চৰিত্ৰটো শক্তিশালী আৰু চৌপাশক নিজৰ নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম। যিখন সমাজৰ যিবোৰ মানুহৰ গালি-গঞ্জনা, অৱহেলা-অত্যাচাৰৰ মাজত তেওঁৰ শৈশৱ তথা কৈশোৰ পাৰ হৈছিল সেইবোৰ মানুহক তেওঁ নিজৰ অপকৰ্মৰ কুখ্যাতিৰ দ্বাৰা ভয়ত সন্ত্ৰস্ত হৈ থাকিবলৈ বাধ্য কৰিব পাৰিছে।

'অপত্য'[২৯৬] আৰু 'মদাৰৰ বেদনা'[২৯৭] এই গল্প দুটাৰ ভাৱবস্তুৰ মাজত সাদৃশ্য পৰিলক্ষিত হয়। 'অপত্য'ত সন্তানহীন দম্পতী এহালৰ জীৱনযোৰা দুখ আৰু 'মদাৰৰ বেদনা'ত এগৰাকী অবিবাহিতা যুৱতীৰ মানসিক পীড়াৰ বাস্তৱসন্মত বৰ্ণনা আছে।

---

২৯৬ । যোগেশ দাস- 'অপত্য', *ৰামধেনু*, ১১শ বছৰ, ৬ষ্ঠ সংখ্যা

২৯৭ । যোগেশ দাস- 'মদাৰৰ বেদনা', *ৰামধেনু*, ১৩ শ বছৰ, ৬ষ্ঠ, ৮ম আৰু ১২শ সংখ্যা

# ভবেন্দ্ৰনাথ শইকীয়া

কথাশিল্পৰ একাগ্ৰ সাধক ডঃ ভবেন্দ্ৰনাথ শইকীয়াৰ ৰচনাই আধুনিক অসমীয়া সাহিত্যৰ এক বিশাল অংশ আৱৰি আছে। 'পথ নিৰূপমা' নামৰ গল্পৰে আত্মপ্ৰকাশ কৰা ডঃ শইকীয়াই প্ৰধানতঃ গল্প ৰচনাত অধিক আত্মনিয়োগ কৰিলেও তেওঁৰ ৰচনাৰ পৰিসৰে কবিতাৰ বাহিৰে সাহিত্যৰ প্ৰায় আটাইকেইটা দিশ সামৰি আছে। *ৰামধেনুৰ* দিনতে প্ৰতিষ্ঠা লাভ কৰা ডঃ শইকীয়াৰ গল্পই আজিলৈকে জনপ্ৰিয়তা অক্ষুণ্ণ ৰাখিছে।

১৯৩২ চনৰ নগাওঁ জিলাৰ কামপুৰৰ ভিতৰুৱা গাওঁ এখনত জন্মগ্ৰহণ কৰা ভবেন্দ্ৰ নাথ শইকীয়াই কলিকতাৰ প্ৰেছিডেন্সী কলেজৰ পৰা স্নাতকোত্তৰ উপাধি লাভ কৰে পদাৰ্থ বিজ্ঞানত। লণ্ডন বিশ্ববিদ্যালয়ে তেওঁক ডক্টৰেট উপাধি প্ৰদান কৰে ১৯৬১ চনত। গুৱাহাটী বিশ্ববিদ্যালয়ত তেখেতে কৰ্ম জীৱন আৰম্ভ কৰে । ২০০৩ চনৰ ১৩ আগষ্টত এইজন সাহিত্যিকৰ জীৱনৱসান ঘটে ।

তেখেতে প্ৰকাশিত গল্প সংকলনসমূহ হৈছে - *প্ৰহৰী*(১৯৬৩), *বৃন্দাবন*(১৯৬৫), *গহ্বৰ* (১৯৬৯), *সেন্দূৰ* (১৯৭১), *শৃংখল* (১৯৭৫), *ভবেন্দ্ৰনাথ শইকীয়াৰ শ্ৰেষ্ঠ গল্প* (১৯৭৬), *এই বন্দৰৰ আবেলি* (১৯৮৮), *আকাশ* (১৯৮৮), *উপকণ্ঠ* (১৯৯২) আৰু *সান্ধ্য ভ্ৰমণ* (১৯৯৮) । ১৯৭৬ চনত *শৃংখলৰ* বাবে তেওঁ সাহিত্য অকাডেমী বঁটা লাভ কৰে। অসম প্ৰকাশন পৰিষদৰ বঁটা লাভ কৰে ১৯৭৩ চনত *সেন্দুৰ* সংকলনটিৰ বাবে। খ্যাতনামা নাট্যকাৰ, পৰিচালক আৰু চলচিত্ৰ নিৰ্মাতা ডঃ শইকীয়াৰ *অন্তৰীপ* (১৯৮৬) আৰু *ৰম্যভূমি* (১৯৯১) দুখন উপন্যাস।

ভবেন্দ্ৰনাথ শইকীয়াৰ *ৰামধেনু* আলোচনীত প্ৰকাশিত গল্পৰ সংখ্যা সৰহ নহয়। ৰামধেনুত প্ৰকাশিত তেওঁৰ প্ৰথম গল্প 'ৰণভংগ'[২৯৮]ৰ সম্পৰ্কত লেখকে মন্তব্য দিছে যে গল্পটোত কাহিনী বুলিবলৈ একো নাই।

এই গল্পটোক গল্প বুলি নকৈ এখন চিত্ৰ বুলি কোৱাই ভাল। মই নিজে আগবঢ়াই দিয়া গল্পৰে যিকেইটা সংকলন প্ৰকাশ পাইছে - সেই কেইখনত এই গল্পটো সন্নিবিষ্ট কৰা হোৱা নাই। অলপতে প্ৰকাশ পাবলগীয়া *সান্ধ্য ভ্ৰমণ* নামৰ

২৯৮। ভবেন্দ্ৰ নাথ শইকীয়া– 'ৰণভংগ', *ৰামধেনু*, ৫ম বছৰ, ১০ম সংখ্যা

সংকলনটোৰ শেষত *ৰামধেনু*ত প্ৰকাশ পোৱা মোৰ প্ৰথম গল্প বুলি টোকা এটা দিহে এই গল্পটো ছপাবলৈ দিছো।[২৯৯]

জীৱনৰ সৰু সৰু সাধাৰণতে অন্যৰ চকুত নপৰা একোটা ঘটনা, অভিজ্ঞতা বা এটা কথাক সহজ ভাষাৰ সূক্ষ্ম আৰু জীৱন্ত ৰূপত বৰ্ণনা কৰাত ডঃ শইকীয়াৰ যি দক্ষতা, অতি কম সংখ্যক লেখকৰ মাজতহে তেনে দক্ষতা দেখা পোৱা যায় । তেখেতৰ গল্পৰ চৰিত্ৰসমূহৰ জীৱনৰ সৰু সৰু একো একোটা ঘটনা এনেদৰে জীৱন্ত হৈ পৰে যে সি পাঠকৰ অতি চিনাকী যেন লাগে। চিনাকী আৰু অজটিল ভাষাৰে কাহিনী বা ঘটনা একোটাক অপূৰ্ব দক্ষতাৰে ফুটাই তোলা দেখা যায়, য'ত মানৱ জীৱনৰ প্ৰমূল্যসমূহ সুন্দৰ ৰূপত প্ৰতিফলিত হয়। ক'বলৈ গ'লে গল্পৰ যোগেদিয়েই নিজস্ব ভাষা শৈলীৰে তেখেতে যি জীৱন বীক্ষা আগবঢ়াই সেয়া মাথো অনন্যসাধাৰণ সৃষ্টিৰ বৈশিষ্ট্য সম্পন্ন লেখকৰ দ্বাৰাহে সম্ভৱ। গল্পৰ মাজেৰে ডঃ শইকীয়াই নিজা অভিজ্ঞতা আৰু সূক্ষ্ম পৰ্যবেক্ষণেৰে বলিষ্ঠ ৰূপত আত্মপ্ৰকাশ কৰা দেখা যায়। তেওঁৰ ৰচনাৰ বেছিভাগ চৰিত্ৰই মধ্যবিত্ত বা নিম্ন মধ্যবিত্ত পৰিয়ালৰ পৰা অহা।

ডঃ শইকীয়াৰ গল্পৰ ভাষাত জটিলতা নথকাৰ দৰে উপস্থাপন ৰীতিও জটিল নহয়। গল্পৰ চৰিত্ৰবোৰ প্ৰতি মুহূৰ্ততে সঠিকভাৱে নিয়ন্ত্ৰণ কৰিব পৰা দক্ষতা আছে বাবে বৰ্ণনাৰ মাজত ক'তো বিক্ষিপ্ততা নাই। জীৱনৰ সূক্ষ্মতৰ বিন্দুবোৰক সুন্দৰ আৰু জীৱন্ত ৰূপত বৰ্ণনা কৰাৰ সময়ত পাঠকৰ আগ্ৰহক এক মায়াবী যাদুৰে বান্ধি ৰাখিব পৰাতেই গল্পকাৰৰ গল্পৰ ভাষাৰ সাৰ্থকতা।

কোনো মতবাদ বা আদৰ্শৰ দ্বন্দ্ব বিচাৰি তেখেতৰ ৰচনাত উজুটিখাব লগা অৱস্থাৰ সৃষ্টি নহয়। গভীৰ পৰিশ্ৰমৰ মাজেৰে লিখি উলিওৱা তেখেতৰ মনোবিশ্লেষণধৰ্মী গল্পবোৰৰ ভিতৰত প্ৰৱেশ কৰি যেতিয়া পাঠকে ৰসাস্বাদন কৰে, তেতিয়া পাঠকক বহু সময়লৈ সেই ঘটনাৰ গভীৰতাই দোলা দি থাকে। গাঁৱলীয়া আৰু নগৰীয়া জীৱনক লৈ দেশ বিদেশৰ পটভূমিতো তেখেতৰ গল্পৰ কাহিনী গঢ় লৈ উঠে।

নাট্যধৰ্মী সংলাপ, পৰিবেশ চিত্ৰণৰ মাধুৰ্যৰ উপৰিও বৰ্ণনাৰ বাহুল্য আৰু চুটিগল্পৰ পৰিসৰৰ প্ৰতি উদাসীনতা ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ অন্যতম বৈশিষ্ট্য। বাস্তৱ জীৱনৰ প্ৰত্যেকটো খুটিনাটিকে মনোগ্ৰাহী ৰূপত তুলি ধৰিব পৰাটোতেই তেখেতৰ গল্পৰ সাফল্য প্ৰকাশ পায়। চুটিগল্পত সাধাৰণতে এটা মাত্ৰ চৰিত্ৰ,এটা মাত্ৰ পৰিস্থিতি আৰু সীমিত মুহূৰ্তৰ ওপৰত ৰেখাপাত কৰা হয়। ডঃ শইকীয়াৰ এটা

---

২৯৯। ভবেন্দ্ৰ নাথ শইকীয়া — 'সাক্ষাৎকাৰ', *গল্প আৰু শিল্প- ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ চাৰিটা দশকৰ শ্ৰেষ্ঠ গল্প*, ১ম প্ৰকাশ, পৃঃ ৫২২,

বিশিষ্ট গল্প 'যাত্ৰাবধ'[৩০০]ত কিন্তু কোনো এটা বিশেষ চৰিত্ৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হোৱা নাই নাইবা চৰিত্ৰ বিকাশৰ বাবে প্ৰচেষ্টাও নাই। ভাৱবস্তু বা ঘটনাৰ গভীৰতাও এই গল্পটোত পাবলৈ নাই। কিন্তু গল্পটোত চিত্ৰিত কৰা সমাজখন আৰু তাৰ চৰিত্ৰবোৰ ইমান বেছি বাস্তৱানুগ হৈছে যে সিয়েই গল্পটোক সফল কৰি তুলিবলৈ সক্ষম হৈছে। কিয়নো সাহিত্যই যেতিয়া বাস্তৱক প্ৰতিফলিত কৰে, পাঠকৰ বাবে অধিক আকৰ্ষিত হৈ পৰে। গল্পটোৰ নাট্যধৰ্মী কথনভংগীও সফলতাৰ অন্যতম কাৰণ। "চুটিগল্পই মনোহৰিত্ব গুণ আয়ত্ব কৰাৰ দিশত 'গ্ৰাফিক নেৰেচনে' যথেষ্ট সহায় কৰে।"[৩০১] 'যাত্ৰাবধ'ত দুৰ্গাপূজা উপলক্ষে অনুষ্ঠিত হোৱা বিভিন্ন ভাওনা আৰু যাত্ৰাপাৰ্টি আৰু তাৰ সৈতে সম্পৰ্কিত বিভিন্ন শ্ৰেণীৰ মানুহৰ মানসিকতা, আচৰণ আদিৰ যি বাস্তৱ চিত্ৰ অংকন কৰা হৈছে তেনে ধৰণৰ বাস্তৱধৰ্মী চিত্ৰ চুটিগল্পত পাবলৈ টান। উদাহৰণ স্বৰূপে–

> ছোঁ ঘৰৰ পৰা ওলোৱা-সোমোৱা এই বাটৰ ইটো কাষে অলপ ঠাই এনেয়ে ৰখা হৈছে । তাত কিছুমান সৰু সৰু ল'ৰা ৰহিছে, ইহঁতৰ পৰিচয় সুকীয়া। নিৰাপদ দূৰত থাকি পুতলাৰ দোকানলৈ একেথিৰে চাই থকা, মদন ডাক্তৰৰ সাতবছৰীয়া ল'ৰাটোৱে বেলুন ফুলাওঁতে ওচৰত থিয় দি থকা, কাৰোবাৰ হাতৰ বেলুন ফুটিলে কেইবাটায়ো কঢ়া-আজোৰা কৰি ফটা ৰবৰবোৰ বুটলি লৈ মুখেৰে বগৰীটোৰ সমান টোপ একোটা কৰি হাতৰ তলুৱাত ঘঁহাই কেৰ্ কেৰ্ কৈ শব্দ কৰা আদি ইহঁতৰ কৰ্ম আৰু পূজাৰ কেইদিন ঘৰৰ লগত সম্বন্ধ নৰখা ইহঁতৰ ধৰ্ম। ইহঁতে দুপৰীয়া, শেষৰাতি ৰভাৰ তলৰ খালী বেঞ্চত শোৱে আৰু ক'ৰবাত চাৰিটা পইচা পালে'ই তৎক্ষণাত মিঠাই কিনি খায়। এই খালী ঠাইডোখৰৰ সিফালে গোটেই ৰভাখনৰ সমানে দীঘল এখন বাঁহৰ কাঠীৰে বোৱা চিক্ জাল আঁৰি ৰভাৰ এক তৃতীয়াংশ ঠাই আবৃত কৰা হৈছে। এটা চিক্‌জালখনৰ প্ৰয়োজন যথেষ্ট, গুৰুত্ব লক্ষ্য কৰিবলগীয়া, কিন্তু কাৰ্যকৰিতা সন্দেহজনক। চিক্‌জালখনৰ সিফালে তিৰোতাসকলৰ আসনৰ ব্যৱস্থা।[৩০২]

ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ সম্পৰ্কত ত্ৰৈলোক্য নাথ গোস্বামীয়ে কৈছে —

> ভবেন্দ্ৰ নাথ শইকীয়াৰ সৰহভাগ গল্পই এক বিশেষ পেটাৰ্ণৰ অধীন। গল্পৰ ঘটনা এক নিৰূপিত বাটেৰে আগবাঢ়ি যায় আন এটা বা দুটা ঘটনাও আন বাটেৰে আহি প্ৰথমটোৰ লগত লগ লাগে আকস্মিকভাৱে।এই আকস্মিকতাৰজেউতিৰে গোটেই ঘটনাটোৱেই নতুন ৰূপত জিলিকি উঠে। আকস্মিকতা জীৱনৰ আছে। সময়ে সময়ে এইবোৰ অৰ্থপূৰ্ণও হয় কিন্তু ই জীৱনত সূত্ৰ নহয়, ব্যতিক্ৰমহে।এই ব্যতিক্ৰমৰ প্ৰতি শইকীয়াৰ মোহ আছে।[৩০৩]

---

৩০০। ভবেন্দ্ৰ নাথ শইকীয়া – 'যাত্ৰাবধ', *ৰামধেনু*, ৬ষ্ঠ বছৰ, ১১শ সংখ্যা

৩০১। মহেন্দ্ৰ বৰা – 'এক জেনেৰেছন গল্প লেখক', *প্ৰকাশ*, ১০ম বছৰ, ১ম সংখ্যা, পৃঃ ১৯৬

৩০২। ভবেন্দ্ৰ নাথ শইকীয়া – 'যাত্ৰাবধ', *ৰামধেনু*, ৬ষ্ঠ বছৰ, ১১শ সংখ্যা, পৃঃ ৭৮৩

৩০৩। ত্ৰৈলোক্য নাথ গোস্বামী – *আধুনিক গল্প সাহিত্য*, পৃঃ ১৭৩

বিভিন্ন চৰিত্ৰ আৰু উপ-কাহিনীৰ সমাবেশে শইকীয়াৰ গল্পৰ পৰিধি দীঘল কৰি লৈ যায়। কিন্তু যথেষ্ট দীঘলীয়া হোৱা সত্বেও গল্পৰ লক্ষ্যৰ একমুখিতা নষ্ট হ'বলৈ নাপায়। প্ৰকাশভংগীৰ সৌন্দৰ্যই পাঠকক সততে মুগ্ধ কৰি ৰাখে। এই প্ৰসংগত মহেন্দ্ৰ বৰাৰ মন্তব্য উল্লেখ কৰিব পাৰি-

> ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পত আছে – ডিটেইলছৰ ধাৰ নিচিগা স্ফুৰণ। সত্যজিৎ ৰায়ৰ ছবি চাই যিটো সোৱাদ পোৱা যায়; ডিটেইলছৰ সূক্ষ্মতম কাৰুকাৰ্যৰ বাবে ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্প পঢ়ি পোৱা যায় একেটা সোৱাদ একেটা কাৰণতে।[৩০৪] ৭

এই গল্পকাৰ গৰাকীয়ে নিজৰ গল্পৰ বিষয়ে মন্তব্য কৰি কৈছে – "গল্পৰ পৰিকল্পনা কৰোঁতে কাহিনী আৰু চৰিত্ৰ এই দুটাৰ ওপৰতে মই গুৰুত্ব দিওঁ আৰু যিমান পাৰি তাক সঁচা কৰি তুলিবলৈ যত্ন কৰোঁ।"[৩০৫] ৮ ঘটনাৰ পুংখানুপুংখ বিৱৰণ আৰু চৰিত্ৰৰ মনোজগতৰ সূক্ষ্মাতিসূক্ষ্ম বৰ্ণনাৰ ক্ষেত্ৰত ডঃ শইকীয়াৰ 'বৃন্দাবন'[৩০৬] ৯ গল্পটো এটা অন্যতম উৎকৃষ্ট গল্প। ইয়াত জন্মৰ পিছতেই পিতৃ মাতৃক হেৰুৱাই মোমায়েক উপেন, আইতাক সুৰ্বণলতা আৰু ঘৰৰ পুৰণি বিশ্বস্ত লগুৱা বৃন্দাবনৰ মৰম-স্নেহত ডাঙৰ হোৱা শিশু নিজৰাৰ জীৱনত মামীয়েক ৰূপালীৰ আগমনে কিদৰে আউল লগাইছে তাৰ বাস্তৱ তথা মনস্তাত্বিক বৰ্ণনাই অপূৰ্ব শ্ৰী লাভ কৰিছে। নিজৰাৰ চৰিত্ৰাংকনত গল্পকাৰে নিপুণতাৰ প্ৰমাণ দিছে। মোমায়েক নতুন মামী এজনী আনিব বুলি শুনি প্ৰথমৰ পৰাই নিজৰাৰ গাত ত'ত নাই - কেৱল মামী আৰু মামী। মোমায়েকৰ বিয়া বুলি নিজৰাৰ কামৰ অন্ত নাই - উশাহ লবলৈ সময় নাপাই নিজৰাই যিয়ে যিমানেই কাম নকৰক, তাই হাত নিদিলে একো চিজিলেই নালাগে। পেহীয়েক সুৰমাই ভাত ঠিকেই ৰান্ধিব, তৰকাৰী ভাজি সকলো খাবলৈও ভালেই হ'ব, কিন্তু আইতাকে যে বেঙেনা ভাজি নাখায়, মোমায়েকক যে কিনাৰত ফুলকটা কাঁহীখনত ভাত দিব লাগে, সেইখিনি কথা নিজৰাই শিকাই নিদিলে কোনে দিব ? ওচৰৰ মানুহ কেইঘৰত

৩০৪। মহেন্দ্ৰ বৰা – 'এক জেনেৰেচন গল্প লেখক', *প্ৰকাশ*, ১০ ম বছৰ, ১ম সংখ্যা, পৃঃ, ১৯৬

৩০৫। নগেন শইকীয়া(সম্পাঃ)– *আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ*, পৃঃ, ১৫৩

৩০৬। ভবেন্দ্ৰ নাথ শইকীয়া – 'বৃন্দাবন', *ৰামধেনু*, ১২শ বছৰ, ১ম-২য় সংখ্যা

তামোল-পাণেৰে নিমন্ত্ৰণ দিবলৈ ওলোৱা সূৱৰ্ণলতাৰ লগতে তামোলপাণৰ খৰাহীটো লৈ যেনিবা বৃন্দাবন বুঢ়া ওলালেই, কিন্তু বঁটাটো দিবলৈতো নিজৰা নগ'লে নহ'বই আৰু চাওঁতে চাওঁতে ঘৰখনত নিজৰাই মামীয়েক এজনী সৃষ্টি কৰি পেলালে- ওলাওঁতে মামী, সোমাওঁতে মামী, ভাতৰ পাতত মামী - - কেৱল মামী। কিন্তু সদায় মোমায়েকৰ লগত একেখন বিচনাতে শুই অহা তাইৰ ঠাইখিনি যেতিয়া মামীয়েকে দখল কৰিলে নিজৰা কান্দি কান্দি ভাগৰি পৰি এসময়ত মূক হৈ পৰিল। আঠ মঙলাৰ দিনা নিজৰ ঘৰলৈ যাবলৈ ওলাই ৰূপালীয়ে নিজৰাক গালখনত হাতফুৰাই মৰম কৰোঁতে নিষ্প্ৰভ দৃষ্টিৰে মামীয়েকৰ মুখলৈ চাই তাই সুধিছে- "আপুনি আকৌ আহিব নেকি মামী ?"[৩০৭]

শিশু নিজৰাৰ কাৰ্যকলাপৰ বৰ্ণনা কৰোঁতে লেখকে শিশুৰ মনৰ জগতখনৰ সৈতে তেওঁৰ ঘনিষ্ঠতাৰ পৰিচয় দিছে। নিজৰাৰ খেলৰা সামগ্ৰী দৰা কইনাবোৰৰ বৰ্ণনা এনেকুৱা – "ডাঠ কাগজৰ বাকচ এটাত এটা-দুটা নহয়, প্ৰায় পোন্ধৰটামান দৰা আৰু সোতৰ - ওঠৰজনীমান কইনাই, যাৰ যেনেকুৱা ইচ্ছা তেনেকৈ শুই আছে। কোনোবা দৰাৰ ভৰি কোনোবা কইনাৰ নাকৰ ওপৰত উঠি আছে যদিও কাৰো আপত্তি নাই। কেৱল যিহালৰ কালি বিয়া হৈ গৈছে, সিহঁতে বাকচটোৰ কিনাৰত পিঠি দি থিয় হৈ আছে, সিহঁতৰ একমাত্ৰ ভাগ্যনিয়ন্তা নিজৰাই যেনেকৈ থাকিবলৈ কৈ গৈছে, তেনেকৈয়ে আছে, হাত এখনো কোনেও কাৰো ফালে আগবঢ়োৱা নাই। ইমান জাক দৰা-কইনাৰ ভিতৰত কোন দিনা কাৰ বিয়া হ'ব, সেইটো নিজৰাই ঠিক কৰে। মাজে মাজে কেৱল তাই আইতাকৰ পৰামৰ্শ লয়। কালি যিটোৰ বিয়া হৈ গৈছে, কেইদিনমানলৈ সি বহি বহি লোকৰ বিয়া চাব লাগে, কেতিয়াবা বিয়া বুলি কিবা-কিবি অৱশ্যে খাবলৈও পায়। দহ-পোন্ধৰ দিনমান হৈ নাযায় মানে তাৰ আকৌ বিয়া নহয়। কেতিয়াবা নিজৰাই চিন ৰখাত ভুল কৰিলে অৱশ্যে চাৰি-পাঁচদিনৰ ভিতৰতে আৰু এবাৰ বিয়া হৈ যাব পাৰে। কিন্তু মাজ ভাগতে ধৰা পৰিলে বিয়া বন্ধ হৈ যাব। বহুত বদমাচ দৰাৰ বিয়া হওঁ হওঁ অৱস্থাতো ভাগি গৈছে। নিজৰাই হয়তো দৰাটোক বাকচৰ কিনাৰত পিঠি দি থিয় হৈ থাকিবলৈ কৈছে, কিন্তু সি নাথাকে, বাৰে বাৰে খালি শুবলৈ লাগে। কথা ক'লে নুশুনে বুলি নিজৰাই তালৈ অলপ পৰ চাই থাকি যদি থেকেচা মাৰি শুৱাই থলে, তেনেহলে আৰু তাৰ নহল। কিমান সাধনাৰ ফলত কপালত পৰা প্ৰজাপতিয়ে ভুৰুংকৈ উৰা মাৰিলে, আকৌ কেতিয়া পৰেহি ঠিক নাই।"[৩০৮]

---

৩০৭। ভবেন্দ্ৰনাথ শইকীয়া- 'বৃন্দাবন', *গল্প আৰু শিল্প*, পৃঃ ৯৭

৩০৮। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৮৩

'বৃন্দাবন' এটা দীঘলীয়া গল্প। কিন্তু দীঘল যদিও গল্পকাৰে গল্পৰ ভাৱৰ ঐক্য ক'তো বিনষ্ট হ'বলৈ দিয়া নাই। দৈনন্দিন বাস্তৱ জীৱনৰ সূক্ষ্ম ৰূপদানেৰে গল্পকাৰে যথাৰ্থ চৰিত্ৰ অংকনেৰে কেন্দ্ৰীয় ভাৱক সামৰণিৰ ফালে লৈ গৈছে। নিজৰাৰ দুখৰ তীব্ৰতাই পাঠকক হৃদয়ৰ মৰ্মস্থান স্পৰ্শ কৰেগৈ। বৃন্দাবন, সুবৰ্ণলতা, উপেন আৰু ৰূপালীৰ নিৰূপায় অৱস্থাক পাঠকে হৃদয়ংগম কৰিবলৈ সক্ষম হয় - প্ৰত্যেকটো চৰিত্ৰৰ ক্ষেত্ৰতে গল্পকাৰে দেখুওৱা জীৱন্ত ৰূপদান কেৱল ডঃ শইকীয়াৰ দৰে লেখকৰ বাবেহে সম্ভৱ। নিজৰাৰ শিশুমনৰ ভিতৰত জগতখনৰ আভাস আৰু সচৰাচৰ দেখা পোৱা তাইৰ শিশুসুলভ কাৰ্যকলাপৰ বিৱৰণত গল্পকাৰ সম্পূৰ্ণৰূপত সফল হৈছে।

*ৰামধেনু*ৰ লেখকসকলে ব্যক্তিমনৰ জটিলতা আৱিষ্কাৰ কৰিবলৈ যত্ন কৰাটো সততে দৃষ্টিগোচৰ হয় আৰু এই আৱিষ্কাৰৰ প্ৰকাশ গল্পতো দেখা গ'ল। ভবেন্দ্ৰনাথ শইকীয়াৰ *ৰামধেনু*ত প্ৰকাশিত গল্প 'ৰাজমিস্ত্ৰী'[৩০৯]ত এনে জটিল পৰ্যবেক্ষণৰ প্ৰভাৱ আছে। অবিবাহিত বসন্তৰ কাষৰ ৰূমকেইটাত থাকিবলৈ অহা প্ৰদীপ দত্ত আৰু প্ৰীতিৰাণীৰ কাৰ্যকলাপ আৰু কথা বতৰাত প্ৰথমাৱস্থাত কোনো ধৰণৰ সন্দেহৰ ভাৱ নেদেখি বসন্ত মুগ্ধ নহৈ পৰা নাই। তেওঁলোক তিনিওজনই পৰস্পৰৰ ওচৰত সহজ হৈ পৰিছে। চুবুৰীয়া এগৰাকী কথাচহকী বুঢ়ীৰ অবাঞ্ছিত ইংগিতত বসন্তই অপমান অনুভৱ কৰিছে যদিও নিজৰ অজ্ঞাতেই প্ৰীতিৰাণীৰ প্ৰতি ওপজা অহেতুক আসক্তিৰ বিষয়েও জ্ঞাত হৈছে। দত্ত দম্পতীৰ সুখৰ সংসাৰত আউল লগাবলৈ বসন্তই মুঠেই বিচৰা নাই কিন্তু তথাপিও তেওঁৰ মনত তীব্ৰ ৰোমান্টিক ভাৱনাৰ উদ্ৰেক হৈছে- সদ্যস্নাতা প্ৰীতিৰাণীৰ স্নিগ্ধ সৌন্দৰ্যত বসন্ত মুগ্ধ হৈ পৰিছে-

> গা ধুই উঠি প্ৰীতিৰাণীয়ে বগা কাপোৰ এযোৰ পিন্ধিছে। চুলিবোৰ গোটেই পিঠিখন ঢাকি বাগৰি পৰি আছে, গাৰ সোণবৰণীয়া ৰংটো আৰু তীব্ৰ আৰু উজ্জ্বল হৈ উঠিছে। কপাল আৰু শিৰৰ সেন্দুৰৰ দাগ পানীত উঠি যোৱাৰ পাছত মুখখন কেতিয়াও আঘাত নোপোৱা নতুনতাৰে জিলিকি উঠিছে। অলপ পাছতে হয়তো প্ৰীতিৰাণীয়ে আয়নাখনৰ আগত থিয় হৈ কপালত আৰু শিৰত নতুন সেন্দুৰ ল'ব। কিছু সময় নোলোৱাকৈওতো থাকিব পাৰে।[৩১০]

বসন্তই নিজৰ অজ্ঞাতে কৰা এই আত্মসমৰ্পণত প্ৰীতিৰাণীয়ে জয়ী হৈ অহা নায়িকাৰ চতুৰ অথচ প্ৰশান্ত হাঁহি মাৰিছে যদিও তাতকৈ বেছি আগবঢ়াৰ ইচ্ছা তেওঁৰ সমূলি নাই। প্ৰথমাৱস্থাত বৰ মুকলি

৩০৯। ভবেন্দ্ৰনাথ শইকীয়া - 'ৰাজমিস্ত্ৰী', *ৰামধেনু*, ১২শ বছৰ, ৬ষ্ঠ সংখ্যা

৩১০। ভবেন্দ্ৰনাথ শইকীয়া — 'ৰাজমিস্ত্ৰী', *গল্প আৰু শিল্প*, পৃঃ ১১০

মনৰ উদাৰতা প্ৰদৰ্শন কৰা নিৰীহ-নিৰ্বিকাৰ প্ৰদীপ দত্তয়ো শেষত বসন্তৰ প্ৰতি সন্দিহান হৈ পৰি সেই অনুযায়ী সতৰ্কতা অৱলম্বন কৰিছে– তেতিয়াহে বসন্ত মৰ্মাহত হৈ পৰিছে। দত্ত পৰিয়াল অহাৰ আগতেই ঘৰৰ মালিক নিৰঞ্জন চৌধুৰীয়ে দিবলৈ কোৱা পাৰ্টিচনখনৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা বসন্তই তেতিয়াহে মৰ্মে মৰ্মে উপলব্ধি কৰিছে। এই তিনিওটা চৰিত্ৰৰ মনৰ ভিতৰৰ জটিলতা প্ৰকাশ কৰাত লেখক সফল হৈছে।

*ৰামধেনু*ত প্ৰকাশিত ডঃ শইকীয়াৰ আন এটা জনপ্ৰিয় গল্প 'ঢোৰাসাপ'।[৩১১] ইয়াত এজনী বিগত যৌৱনা দেখিবলৈ অশুৱনি ছোৱালী জানেকীৰ মনৰ বেদনা অংকন কৰা হৈছে। জানেকীৰ জীৱনলৈ বিভিন্নজন পুৰুষৰ আৱিৰ্ভাৱ ঘটিছে যদিও প্ৰত্যেকেই বিভিন্ন অজুহাতত আঁতৰি গৈছে। বাৰে বাৰে জানেকী প্ৰতাৰিত হৈছে। লীলাকান্তয়ো এসময়ত জানেকীক ভাল পাই এখন চাদৰ উপহাৰ দিছিল। ঘটনাক্ৰমত সেই চাদৰখনকে জানেকীৰ পৰা নি ঘৈণীয়েক চন্দ্ৰিকাক পিন্ধাই লীলাকান্তই পত্নীৰ সৈতে এখন যুগ্ম ফটো তুলি আহিছিলগৈ। চাদৰখন একেবাৰেই লীলাকান্তক ঘূৰাই দিবলৈ অহা জানেকীৰ মুখৰ পৰা এই কথা জানিব পাৰি চন্দ্ৰিকাই অৱশেষত ফটোখন মোহাৰি পেলাইছে। অথচ কিছুসময়ৰ আগলৈকে গিৰিয়েকৰ সৈতে তোলা নিজৰ ফটোখন চাই চাই চন্দ্ৰিকা আত্মবিভোৰ হৈ আছিল। কিন্তু সেই চাদৰখন যে জানেকীক দিয়া লীলাকান্তৰে মৰমৰ উপহাৰ সেই কথা জানেকীৰ মুখেৰেই চন্দ্ৰিকাই গম পাইছে –

> এঃ নালাগে দে, মৰমৰ মানুহজনীথাকিব ইয়াত, তোৰ হেঁপাহৰ চাদৰখন থাকিব মোৰ বাকচত পৰি, এইবোৰ থানবান হৈ থকা কথা বেয়া, এটাইবোৰ থূপ খুৱাই লব লাগে । বুইছ![৩১২]

লগে লগে চন্দ্ৰিকাৰ মোহ ভংগ হৈছে –

> চাদৰখনৰ ফুলাম পাৰিটোলৈ তাই চাব নোৱাৰিলে। ভৰিৰ পৰা আৰম্ভ কৰি, কঁকাল আৰু বুকুৰ ওপৰেদি এডাল ফুট্‌কা-ফুট্‌কী গাৰ প্ৰকাণ্ড সাপে যেন তাইক মেৰিয়াই ধৰিছে।[৩১৩]

গল্পটোৰ চৰিত্ৰবোৰৰ মনস্তাত্বিক বিশ্লেষণত লেখকে দক্ষতাৰ পৰিচয় দিছে।

*ৰামধেনু*ত প্ৰকাশিত 'বন্দীশাল'[৩১৪] ভবেন্দ্ৰনাথ শইকীয়াৰ অন্যতম গল্প। এই গল্পটোত

---

৩১১। ভবেন্দ্ৰনাথ শইকীয়া— 'ঢোৰাসাপ', *ৰামধেনু*, ১১শ বছৰ, ৪ৰ্থ সংখ্যা

৩১২। ভবেন্দ্ৰনাথ শইকীয়া – 'ঢোৰাসাপ', *গল্প আৰু শিল্প*, পৃঃ ৪৭,

৩১৩। পূৰ্বোক্ত গ্ৰন্থ, পৃ ৪৮

৩১৪। ভবেন্দ্ৰ নাথ শইকীয়া – 'বন্দীশাল', *ৰামধেনু*, ১১শবছৰ, ১০ সংখ্যা

কিতাপ দোকানী চিত্তৰঞ্জনৰ আশাভংগৰ কাহিনী আছে। গল্পটো পঢ়ি যাওঁতে জন্মা পাঠকৰ অনুসন্ধিৎসুতা লেখকে শেষলৈকে অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। বিধবা মাকৰ সৈতে চিত্তৰঞ্জনৰ সৰু সংসাৰ। কিতাপৰ দোকানৰ সৈতে তেওঁৰ চাহৰ দোকানো আছে, যিখন তদাৰক কৰে ৰজনীয়ে। এদিনাখন এখন বিশেষ কিতাপ বিচাৰি অহা ৰাণীৰ সৈতে চিত্তৰঞ্জনৰ চিনাকী হয়। কিতাপ পঢ়ি ভাল পোৱা আৰু লগতে কিতাপ পঢ়া লোককো ভাল পোৱা ৰাণীৰ প্ৰতি তেওঁৰ আকৰ্ষণ বাঢ়ে আৰু এটা ৰঙীন যুগ্ম জীৱনৰ সপোন দেখে। ঠিক তেনে সময়তে ৰাণীয়ে তেওঁক জনাই যে তাই শান্তিনিকেতনত পঢ়িবলৈ ছিট পাইছে আৰু দুইএদিনতে তালৈ যাবগৈ। চিত্তৰঞ্জনৰ সোণালী সপোন ভাগি যায় তেওঁ আকৌ সেই কিতাপৰ বন্দীশালতে বন্দী হৈ ৰয়।

ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পত জীৱনৰ কোনো গভীৰ তত্বৰ অনুসন্ধান দেখা নাযায়। ৰামধেনুৰ পাততে আত্ম প্ৰকাশ কৰা বা প্ৰসিদ্ধি লাভ কৰা আন কোনো গল্পকাৰৰ ৰচনাত দেখা পোৱা দাৰ্শনিক তত্ত্ব বা সমাজতত্ত্বৰ সজাগ অনুসন্ধান বা অনুধাৱন ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পত নাই। তেনেদৰে কোনো পশ্চিমীয়া দৰ্শন বা তত্বৰ প্ৰভাৱৰ প্ৰতিফলন তেওঁৰ গল্পত তেনেদৰে চকুত নপৰে ।

> ........মোৰ ওপৰত মই কোনো দেশী-বিদেশী লেখকৰ প্ৰভাৱ থকা বুলি মই নেভাবো। ... এক কথাত ক'বলৈ গ'লে চেতনা জড়িত একোটা মানসিক প্ৰতিক্ৰিয়া .. এই বস্তুটোৱে মোক বেছিকৈ আকৰ্ষণ কৰে।[৩১৫]

কিন্তু দৈনন্দিন জীৱনতে ঘটি থকা সৰু সৰু অথচ ব্যক্তিৰ মনত তোলপাৰ লগাই যাব পৰা একো একোটা কথা বা ঘটনাক ইমান সূক্ষ্ম ভাৱে বিশ্লেষণ কৰি জীৱন্ত কৰি তোলে তাতেই পাঠকৰ অন্তৰ তৃপ্ত হয়। বিষয়বস্তুৰ ভাৱসাম্য, ৰসপূৰ্ণ বৰ্ণনাভংগী আৰু অতৃপ্ত আস্বাদ প্ৰদান কৰিব পাৰিলেই চুটিগল্প সাৰ্থক হৈ উঠে আৰু এই তিনিওটাৰে অপূৰ্ব সমাহাৰ ডঃ শইকীয়াৰ গল্পত সততে পৰিলক্ষিত হোৱা দেখা যায়। ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ সন্দৰ্ভতে ডঃ মহেশ্বৰ নেওগে কোৱা এটি মন্তব্য এইখিনিতে উল্লেখ কৰিব পাৰি–"ভবেন্দ্ৰ নাথ শইকীয়াৰ সকলোবোৰ গল্পৰ বৰ্ণনা গোট খুৱালে হয়তো আগলৈ এটা যুগৰ এডোখৰ ঠাইৰ সমাজতাত্বিক এখণ্ড অধ্যয়ন ৰূপে বিবেচিত হ'ব পাৰিব। সাধাৰণ বাক্যবোৰৰ পৰা গভীৰ অৰ্থ ওলোৱা শইকীয়াৰ ভাষাত শব্দবোৰৰ যেন নিজস্ব এক গতি শক্তি আছে, যদিও তেওঁৰ সুকীয়া অভিধান নাই।"[৩১৬] কাহিনী বৰ্ণাই যাওঁতে ডঃ শইকীয়াই যি অপূৰ্ব সংযম আৰু মাৰ্জিত ৰুচিৰ পৰিচয় দিয়ে– সেই ক্ষেত্ৰতো এইজন গল্পকাৰ অতুলনীয়।

৩১৫। নগেন শইকীয়া (সম্পা) – *আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ*, পৃঃ ১৫৪

৩১৬। মহেশ্বৰ নেওগ – 'শেষপৃষ্ঠা', *গল্প আৰু শিল্প*, ১১ মাৰ্চ, ১৯৮৭

# সৌৰভ কুমাৰ চলিহা

অগতানুগতিক বিষয়বস্তুৰ নিৰ্বাচন আৰু অভিনৱ প্ৰকাশভংগীৰে অসমীয়া আধুনিক গল্প সাহিত্যলৈ এক অভূতপূৰ্ব নতুনত্বৰ ধাৰা বোৱাই অনা বিৰল প্ৰতিভাৰ অধিকাৰী সৌৰভ কুমাৰ চলিহা ৰামধেনু যুগৰ এজন অননুকৰণীয় গল্পকাৰ।

ছাত্ৰ অৱস্থাতে লিখা *ৰামধেনুৰ* গল্প প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত গল্প 'অশান্ত ইলেক্ট্ৰনে' অসমীয়া গল্প সাহিত্যৰ জগতখনত আলোড়নৰ সৃষ্টি কৰে। চুটি গল্পৰ ধ্ৰুপদী সংজ্ঞাৰ ভিতৰত বন্দী কৰিবলৈ কষ্টকৰ সৌৰভ চলিহাৰ গল্পবোৰত এটা সুবিন্যস্ত কাহিনীৰূপ, একক চৰিত্ৰৰ ভূমিকা, এটা কেন্দ্ৰীয় ভাৱৰ প্ৰয়োগ ইত্যাদিৰ বিপৰীতে কিছুমান আগ-গুৰিহীন ঘটনাৰ সমষ্টি, বিভিন্ন চৰিত্ৰৰ সমাবেশ আৰু সেই চৰিত্ৰবোৰৰ মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াকহে সাধাৰণতে লক্ষ্য কৰা যায়। বিভিন্ন প্ৰকাৰ সাহিত্যদৰ্শনৰ সমাহাৰ ঘটা সৌৰভ চলিহাৰ গল্পত প্ৰখৰ সমাজ সচেতনতাৰো স্বাক্ষৰ আছে।

সৌৰভ কুমাৰ চলিহা দৰাচলতে এটি ছদ্মনামহে। এই ছদ্মনামেৰেই লেখকজন প্ৰখ্যাত হোৱাৰ উপৰিও অসমীয়া চুটি গল্পৰ জগতলৈও এই নামৰ লেখনীয়ে ওপৰৰ উল্লেখ কৰাৰ দৰে নতুন সম্ভাৱনীয়তাৰ বাট মোকলালে। আন বহু ছদ্মনামৰ আঁৰত মূলব্যক্তিজন পোহৰলৈ অহাৰ দৰে সৌৰভকুমাৰ চলিহাৰ আঁৰত মূল ব্যক্তিজন সমাজলৈ ওলাই পৰিচিত হ'বলৈ নিবিচৰাকৈয়ে থাকি গ'ল।

১৯৭৪ চনত *গোলাম* (১৯৭২) গল্প সংকলনৰ বাবে সৌৰভ কুমাৰ চলিহাই সাহিত্য অকাডেমী বঁটা লাভ কৰে। তেওঁৰ অন্যান্য উল্লেখযোগ্য গল্প সংকলন কেইখনমান হ'ল – *সৌৰভকুমাৰ চলিহাৰ স্বনিৰ্বাচিত গল্প* (১৯৯৮), *অশান্ত ইলেক্ট্ৰন* (১৯৬২), *দুপৰীয়া* (১৯৬৩), *এহাত ডবা* (১৯৯২), ইত্যাদি। দহোটা বিদেশী গল্পৰ অনুবাদ গ্ৰন্থ হ'ল *আজি শুক্ৰবাৰ*। *সৌৰভ কুমাৰ চলিহাৰ নিৰ্বাচিত লেখা, গল্প নহয়, অবৰুদ্ধ চহৰ, সৌৰভ কুমাৰ চলিহাৰ অন্যান্য অসংকলিত ৰচনা সংগ্ৰহ*- তেওঁৰ প্ৰকাশিত গ্ৰন্থ। ১৯৯৬ চনত সৌৰভকুমাৰ চলিহালৈ অসম উপত্যকা সাহিত্য বঁটা আগবঢ়োৱা হয়।

আধুনিক জীৱনৰ বিশেষকৈ নগৰীয়া জীৱনৰ ভগ্নছন্দ আৰু বিচ্ছিন্নতা সৌৰভ চলিহাৰ কেইবাটাও গল্পৰ বিষয়বস্তু। নগৰকেন্দ্ৰিক জীৱনৰ কঠুৱা, লক্ষ্যবিহীন জীৱনযাত্ৰাক তেওঁ প্ৰত্যয়জনক ৰূপত অংকিত কৰিছে। বহল আৰু বৈচিত্ৰ্যময় বিষয়বস্তু তথা পটভূমিত গল্প লিখা চলিহাই বিদেশী

চৰিত্ৰ আৰু পৰিবেশ অংকনতো বহল দৃষ্টিভংগীৰ পৰিচয় দিছে।

> চলিহাৰ গল্পত ঘটনাৰ অভিনৱত্ব, প্ৰত্যাশিত সংঘাত আৰু ক্লাইমেক্স নাই । তেওঁৰ গল্প পঢ়ি মনলৈ আহে ভাৰ্জিনিয়া ৱোলফ্ ৰ বিখ্যাত উক্তি - 'Life is not a series of gig lamps symmetrically arranged'.[৩১৭]

আকৌ,

> মানুহৰ চেতনাই বিক্ষিপ্তভাৱে ক্ৰিয়া কৰা দেখা যায়। তেওঁ ভগা আইনাৰ টুকুৰাই পোহৰ বিচ্ছুৰিত কৰাৰ দৰে বাস্তৱক প্ৰতিফলিত কৰে। আধুনিক মনস্তত্ত্বৰ অনুজ চেতনাস্ৰোতৰ বহুল প্ৰয়োগৰ যোগেদি বাস্তৱক ধৰি ৰাখিবলৈ তেওঁ সততে যত্নবান। আনুক্ৰমিক বৰ্ণনাৰ লগত আভ্যন্তৰীণ স্বগতোক্তিৰ সংযোগৰ ফলত তেওঁৰ গল্পই এটা নতুন ব্যাপ্তি লাভ কৰিছে। বহুক্ষেত্ৰত চলিহাৰ গল্প মানুহৰ অভিজ্ঞতাৰ ছেদ কিছুমানৰ সমষ্টি মাথোন। এইবোৰ গল্পকাৰৰ চৈতন্যত ঐক্যকেন্দ্ৰিক হৈছে। তেওঁৰ গল্পৰ গতি সৰলৰৈখিক নহয়, বৃত্তধৰ্মীহে। বিভিন্ন বিপৰীতধৰ্মী অভিজ্ঞতাৰ সহাৱস্থানৰ সত্যতা স্বীকাৰ কৰি তেওঁৰ কলাচৈতন্য সৃষ্টিকৰ্মত নিয়োজিত হৈছে ।[৩১৮]

নগেন শইকীয়াই এইজন গল্পকাৰৰ গল্পৰ সম্পৰ্কত কোৱা মন্তব্য এই প্ৰসংগত উল্লেখ কৰিব পাৰি –

> যন্ত্ৰ নিৰ্ভৰ আৰু যন্ত্ৰণাময় সভ্যতাত প্ৰতিফলিত আধুনিক মানুহৰ চেতনাত পৰিবেশ আৰু সৰু বৰ নানা দ্ৰুতগামী ঘটনাৰ বৈচিত্ৰ্যই ঘটোৱা বিচিত্ৰ আলোড়নৰ অনুভূতিৰ প্ৰবাহে ধ্বনি আৰু চিত্ৰ-নিৰ্ভৰ হৈ চলিহাৰ গল্পৰ মাজেদি প্ৰকাশ লাভ কৰিছে। সৌৰভ কুমাৰ চলিহাৰ গল্পৰ মূল-ভেঁটি কালানুক্ৰমিকভাৱে বৰ্ণিত, ব্যাকৰণ সিদ্ধ কাহিনী নহয়, একপ্ৰকাৰ আনুভূতিক উপলব্ধিৰ ইমপ্ৰেশ্যনহে। চেতনা প্ৰবাহৰ, বহু বৰ্ণাঢ্য এনে ইমপ্ৰেশ্যনক সময় বা ব্যাকৰণৰ নিয়মেৰে শৃংখলিত কৰা নাযায়। সেইবাবেই তেওঁৰ গল্পৰ ভাষা তীব্ৰভাৱে দ্ৰুতগামী, কোনো কোনো সময়ত শৃংখলহীন, আপাত দৃষ্টিত অৰ্থশূন্য যেন, কিন্তু এই সকলো মিলি বাজি উঠে এটা বিচিত্ৰ সুৰৰ ঐক্যতান, দান কৰে অনাস্বাদিক তৃপ্তি।[৩১৯]

ৰামধেনুৰ পাতত চেতনাস্ৰোত ভাৱধাৰাক সফল ৰূপ দি গল্প ৰচনা কৰা বুলি সাহিত্যিক সমালোচকসকলে ক'ব খোজা সৌৰভ কুমাৰ চলিহাই কিন্তু তেওঁৰ ৰচনাসমূহত চেতনাস্ৰোতৰ প্ৰভাৱ স্বীকাৰ কৰিবলৈ টান পায়। তেওঁ এই সম্পৰ্কে এইদৰে কৈছে—

---

৩১৭। উপেন্দ্ৰ নাথ শৰ্মা – 'চুটিগল্প', *অসমীয়া সাহিত্যৰ বুৰঞ্জী,* (৬ষ্ঠ খণ্ড), পৃঃ ৪৬১

৩১৮। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৪৬৩

৩১৯। নগেন শইকীয়া (সম্পা.)- 'ভূমিকা', *অসমীয়া গল্প কৌমুদী,* পৃঃ ২১

চেতনাস্রোত বস্তুটো কি সেই সম্বন্ধে মোৰ কোনো সুনির্দিষ্ট ধাৰণা নাই, আৰু যিহেতু অসমীয়া সমালোচকৰ প্ৰৱণতা হ'ল কোনো বিদেশী লেখকৰ লগতে সাদৃশ্য বা বিদেশী লেখকৰ প্ৰভাৱ বাহিৰ কৰিবৰ চেষ্টা কৰা, সেয়ে চেতনাস্রোত বস্তুটো কি জনাৰ আগ্ৰহ আজি একেবাৰে অৱলুপ্ত।"[৩২০] ৪

গল্পকাৰজনৰ এইষাৰ কথাৰ সন্দৰ্ভত ক'ব পাৰি যে চেতনাস্রোত সম্পৰ্কে পঢ়া-শুনা নকৰিলেও তেওঁৰ গল্পত এনে ধৰণৰ ভাৱাদৰ্শ প্ৰকাশ পাব পাৰে।

অগতানুগতিক আংগিক কৌশল আৰু ব্যতিক্ৰমধৰ্মী বিচিত্ৰ ভাৱবস্তুৰে গঢ় লোৱা সৌৰভ কুমাৰ চলিহাৰ গল্প পঢ়িলে গল্পকাৰে তেওঁৰ গল্পত আংগিকৰ পৰীক্ষা-নিৰীক্ষাৰ অধিক গুৰুত্ব দিয়াৰ বাবেই যেন গল্পবোৰ জটিল হৈ পৰিছে এনে অনুমান হয়। কিন্তু এই অনুমানকো ভুল বুলি প্ৰমাণ কৰিছে গল্পকাৰৰ আন এষাৰ বক্তব্যই – "ফৰ্মৰ পৰীক্ষা-নিৰীক্ষাৰ কথাটো লেখিবলৈ লোৱাৰ পাছতহে আহে।"[৩২১] ৫ প্ৰকৃতপক্ষে ভাৱবস্তু আৰু আংগিকৰ অগতানুগতিকতাৰ বাবেহে সৌৰভকুমাৰ চলিহাৰ গল্প বুজিবলৈ কিছু জটিল।

পঞ্চাশৰ দশকৰ গুৱাহাটী নগৰৰ এটা মধ্যবিত্ত পৰিয়ালৰ সদস্যসকল আৰু তেওঁলোকৰ সৈতে সম্পৰ্কিত কিছুসংখ্যকলোকৰ চিন্তা-চেতনা ভাৱধাৰাৰে গঢ়ি উঠিছে এইজন গল্পকাৰৰ আলোড়নকাৰী গল্প 'অশান্ত ইলেক্ট্ৰন'ৰ[৩২২] ৬ বিষয়বস্তু। গল্পটোত প্ৰকাশ পোৱা জীৱন চেতনা বিচ্ছুৰিত হৈছে নগৰীয়া জীৱনৰ স্পন্দনৰ মাজেদি। এই নগৰকেন্দ্ৰিক সমাজ জীৱনৰ যি বিশ্লেষণ আগবঢ়োৱা হৈছে তাত বৌদ্ধিকতাৰ স্পৰ্শ আছে। গল্পটোৰ কোনো প্ৰকাৰ সুবিন্যস্ত কাহিনীৰূপ নাই। ইয়াত কেন্দ্ৰীয় চৰিত্ৰ বুলি ধৰিলে নিখিলকে ধৰিব লাগিব। নিখিলৰ চিন্তা ভাৱনাৰ মাজেদিয়েই গল্পটোৰ আৰম্ভণি হৈছে আৰু তাৰ ভাৱনাতেই গল্পটোৰ সমাপ্তি ঘটিছে। ইয়াৰ উপৰিও অন্যান্য চৰিত্ৰ ৰঞ্জন, বৃদ্ধপিতৃ, যতিবাবু, বৌ, কৰুণাবাবু, আদিৰ ক্ৰিয়া প্ৰতিক্ৰিয়াই গল্পটোৰ চালিকা শক্তি স্বৰূপ।

এই গল্পৰ পটভূমিত আছে অনাচাৰ-দুৰ্নীতিৰ মাজেৰে চৰম অনিশ্চয়তাত ভোগা এখন ধনবাদী সমাজ আৰু তাৰেই প্ৰতিক্ৰিয়া দেখুওৱা হৈছে মধ্যবিত্তীয় এই পৰিয়ালটোত। বাস্তৱজীৱনত ঘটা এই ঘটনাবোৰৰ সূক্ষ্ম বিশ্লেষণ কৰা হৈছে চৰিত্ৰৰ মনোজগতৰ মাজেদি। গল্পকাৰে বাহিৰৰ পৰা নাগৰিক

৩২০। ৰঞ্জিত কুমাৰ দেৱচৌধুৰী (সম্পাদক)- *সৌৰভ কুমাৰ চলিহা আৰু অন্যান্য প্ৰবন্ধ* পৃঃ ৪৯

৩২১। নগেন শইকীয়া (সম্পাদক)- আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ, পৃঃ ১৫৯

৩২২। সৌৰভকুমাৰ চলিহা- 'অশান্ত ইলেক্ট্ৰন', *ৰামধেনু*, ৩য় বছৰ, ১০ম -১১শ, ১২শ সংখ্যা

জীৱনৰ ঘটনাবোৰ চিহ্নিত কৰিছে আৰু সেইবোৰৰ প্ৰভাৱ চৰিত্ৰবোৰৰ অন্তৰত যি ধৰণে প্ৰতিফলিতহৈছে তেনেদৰেই বাক্যবিন্যাসৰ জৰিয়তে বাহিৰলৈ উলিয়াই আনিছে। অত্যন্ত সূক্ষ্ম আৰু বিশ্লেষণাত্মক অন্তৰ্দৃষ্টিসম্পন্ন লেখক সৌৰভ কুমাৰ চলিহাৰ প্ৰায়বোৰ গল্পতেই জীৱনৰ আভ্যন্তৰৰ দ্বন্দ্ব গভীৰ ৰূপত উপস্থাপন কৰা দেখা যায়। এই প্ৰসংগতে প্ৰহ্লাদ কুমাৰ বৰুৱাৰ মন্তব্য উল্লেখযোগ্য—

> সাধাৰণতে আভ্যন্তৰ জীৱনৰ ওপৰত আলোকপাত কৰি লেখা গল্প কাব্যিক গুণসম্পন্ন হৈ উঠে আৰু গল্পই যেতিয়াই কাব্যিকগুণ আয়ত্ব কৰে, তেতিয়াই গল্প ৰসোত্তীৰ্ণ হৈ উঠে। দৰাচলতে ভাল গল্প গীতি-কাব্যগুণধৰ্মী। সৌৰভ কুমাৰ চলিহাৰ গল্পৰ বেলিকাও দেখা যায় যে চলিহাৰ গল্প কাব্যময় ব্যঞ্জনাৰে সমৃদ্ধ। সৌৰভ কুমাৰ চলিহাৰ গল্পত কাব্যধৰ্মিতাৰ লগতে নাট্য গুণবিশিষ্টতাৰো সমন্বয় হৈছে। বহু সময়ত চলিহাৰ গল্পত বিবিধ চৰিত্ৰৰ কথোপকথন আৰু বহু সময়ত চৰিত্ৰৰ আভ্যন্তৰীণ স্বগতোক্তি (interior monologue) ৰ যোগেদি মনোজগতৰ গোপন অনুভূতি কিছুমান প্ৰকাশ কৰা দেখা যায়।[৩২৩]

'অশান্ত ইলেক্ট্ৰন' গল্পৰ জৰিয়তে লেখক সৌৰভকুমাৰ চলিহাৰ সমাজ সচেতন মনটোৱেও আত্মপ্ৰকাশ কৰিছে। সমাজৰ অসৎ শ্ৰেণীটোৰ চৰিত্ৰৰ নৈতিক প্ৰমূল্যৰ অৱক্ষয় দেখুওৱাৰ উপৰিও যথাৰ্থ আদৰ্শবিহীন বিলাসী কমিউনিষ্টসকলক তীব্ৰ সমালোচনা কৰা হৈছে- "কমিউনিজিমৰ উদ্দেশ্য ষ্টেণ্ডাৰ্ড অৱ লিভিং কমোৱাটো নহয়, বঢ়োৱাটোহে।"[৩২৪] কমিউনিষ্ট সকলৰ লগতে তথাকথিত সমাজবাদী সকলকো তীব্ৰ ব্যংগ কৰা হৈছে–

> চিনেমা-থিয়েটাৰ, সাহিত্য-ৰেডিঅ'— সকলোৰে যোগেদি মানুহৰ ৰুচিক নমাই দিয়া হৈছে পুঁজিবাদীসকলৰ উদ্দেশ্যে। মানুহে যাতে বিপ্লৱী ভাৱধাৰাৰ পৰা আঁতৰি থাকিব পাৰে, মানুহৰ মাজত যাতে মিলিটেন্ট মনোবৃত্তি সোমাব নোৱাৰে. তাৰ কাৰণেই এইবোৰ ডাইভাৰ্ছনৰ ব্যৱস্থা কৰিছে কেপিটেলিষ্টৰ হলিউডে।[৩২৫]

'অশান্ত ইলেক্ট্ৰন' গল্পটোত কিছু পৰিমাণে অৱস্থিতিবাদ দৰ্শনৰ চিন্তাধাৰাও প্ৰতিফলিত হোৱা যেন লাগে। অৱস্থিতিবাদ দৰ্শনৰ মতে প্ৰত্যেক ব্যক্তিয়েই এটা অদ্বিতীয়, মৌলিক আৰু স্বতন্ত্ৰ সত্তা। প্ৰত্যেকৰে অস্তিত্বৰ অভিজ্ঞতা আৰু সমস্যা বেলেগ বেলেগ। প্ৰত্যেকৰে সেয়েহে সমস্যাৰ সমাধানো

৩২৩। প্ৰহ্লাদ কুমাৰ বৰুৱা – *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, পৃঃ ২৬৪

৩২৪। সৌৰভকুমাৰ চলিহা- 'অশান্ত ইলেক্ট্ৰন', *অশান্ত ইলেক্ট্ৰন*, পৃঃ ১৭

৩২৫। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২১

একেই নহয়। জগতত মাথোন এটাই সত্য— সেইটো হ'ল প্ৰত্যেকৰে নিজৰ অস্তিত্ব আৰু তাৰ অন্তহীন ক্ৰমপৰিবৰ্তন। বাকী সকলো অনিশ্চিত। এই গল্পটোৰ প্ৰতিটো চৰিত্ৰই নিজৰ নিজৰ কক্ষপথত বিচৰণ কৰিছে আৰু নিজৰ অস্তিত্বক অনুভৱ কৰি নিজৰ জীৱনত একক ৰূপে বিচৰণ কৰিছে। চৰিত্ৰৰ স্বতন্ত্ৰ অস্তিত্বৰ ব্যাখ্যা আগবঢ়োৱা হৈছে বিজ্ঞানৰ সহায়েৰে। গল্পটোৰ কাহিনী বৃত্তাকাৰে ঘূৰি আছে। চৰিত্ৰবোৰৰ মনত বিভিন্ন প্ৰশ্নই তোলপাৰ লগাইছে কিন্তু সঠিক উত্তৰ কোনেও ক'তো বিচাৰি পোৱা নাই।

'অশান্ত ইলেক্ট্ৰন' গল্পটোৰ বিষয়ে উপেন্দ্ৰনাথ শৰ্মাৰ মন্তব্যও এই প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি—

> ৰামধেনুত প্ৰকাশিত 'অশান্ত ইলেক্ট্ৰন' নামৰ দীঘলীয়া গল্পটোৱে প্ৰচুৰ সম্ভাৱনাৰ ইংগিত বহন কৰে। গল্পটোত স্বাধীনতা অব্যবহিত পিছৰ কালৰ মধ্যবিত্ত জীৱনৰ সামাজিক অৱস্থাৰ খতিয়ান দাঙি ধৰা হৈছে। সামাজিক আৰু ৰাজনৈতিক অস্থিৰতাৰ ছবিও তাত সুন্দৰভাৱে বিধৃত হৈছে। এই অস্থিৰতাক তেওঁ অস্থিৰ ইলেক্ট্ৰনৰ চিত্ৰকল্পেৰে উদ্ভাসিত কৰিছে। গল্পটোত যদি তেওঁ আশানুৰূপ সাফল্য লাভ কৰা নাই তেনেহলে তাৰ কাৰণ এয়ে হ'ব যে তাত উপন্যাসৰ বাবে যথোপযুক্ত বিস্তৃত সমলে ভিৰ কৰিছে। লেখকে এই বিস্তৃত সমলক চুটি গল্পৰ পৰিসৰলৈ ৰূপান্তৰ কৰিব পৰা নাই।[৩২৬]

সৌৰভ কুমাৰ চলিহাৰ গল্পৰ বিষয়ে ত্ৰৈলোক্যনাথ গোস্বামীয়ে এইদৰে মন্তব্য আগবঢ়াইছে -

> গল্পবোৰত সাধাৰণতে খণ্ডিত অভিজ্ঞতাৰ বৰ্ণনা থকা হেতুকে আৰু বৈজ্ঞানিক মতবাদ আৰু পাৰিভাষিক শব্দৰ সঘন উল্লেখৰ কাৰণে এপিনে যেনেকৈ কিছুমান গল্প বুজিবলৈ টান হৈছে আনপিনে সাধাৰণ পাঠকৰ প্ৰতি সেইবোৰ ৰসৰ অপকৰ্ষকো হৈ পৰিছে। কিন্তু ভালেমান গল্পতো লেখকৰ মননশীলতা, শব্দচয়ন ক্ষমতা আৰু ভাৱ কেন্দ্ৰীভূত কৰাৰ পাৰদৰ্শিতা ওপৰতে ওলাই আছে। তেওঁৰ প্ৰায়বোৰ গল্পতে আছে বৈজ্ঞানিক চিন্তাধাৰাৰ নিদৰ্শন। ..... অনুমান হয় সৌৰভ কুমাৰ চলিহাৰো বৈজ্ঞানিক পদ্ধতিৰ ওপৰত গভীৰ আস্থা আছে। বিজ্ঞানসন্মত পদ্ধতিৰে মানৱ মনৰ বিশ্লেষণৰ চেষ্টা কৰিলে ভাৱ প্ৰৱণতাৰ আঁৰ কাপোৰৰ সিফালে লুকাই থকা আত্মিক সৌন্দৰ্য ধৰা দিব বুলি হয়তো তেওঁৰ বিশ্বাস।[৩২৭]

অৱস্থিতিবাদ দৰ্শনৰ প্ৰভাৱ পৰা সৌৰভকুমাৰ চলিহাৰ আন এটা সাৰ্থক গল্প হৈছে

---

৩২৬। উপেন্দ্ৰ নাথ শৰ্মা— 'চুটিগল্প', *অসমীয়া সাহিত্যৰ বুৰঞ্জী,* (৬ষ্ঠ সংখ্যা), পৃঃ ৪৬০

৩২৭। ত্ৰৈলোক্যনাথ গোস্বামী – *আধুনিক গল্প সাহিত্য,* পৃঃ ১৮৫

'জ্যামিতি'।[৩২৮] অৱস্থিতিবাদত যুক্তি আৰু বুদ্ধিৰে পৰম্পৰাগত ধাৰণা, ঈশ্বৰ, অদৃষ্ট আদিক নাকচ কৰা হয়। বিজ্ঞানৰ যুক্তিবাদৰ সহায়েৰে ইয়াত গল্পকাৰে অৱস্থিতিবাদী চিন্তাধাৰা প্ৰকাশ কৰিছে।

গল্পটোৰ চৰিত্ৰ হৈছে ক,খ,গ,ঘ,ঙ,প,ব, আদি কেইটামান বিন্দু। ইয়াৰে ক আৰু গ অন্তৰংগ বন্ধু। 'ক'ই 'খ'ক ভাল পাইছিল পূৰ্বৰে পৰা, কিন্তু এসময়ত 'গ'য়ো 'খ'ক ভালপাবলৈ আৰম্ভ কৰাৰ দুয়োৰে পুৰণি বন্ধুত্বত ঘূণে ধৰে। কিন্তু পিচত দুয়ো বন্ধুৱে গম পালে যে 'খ'ই আচলতে 'ঙ'ক হে ভাল পায়। উপেক্ষিত হোৱাৰ বেদনাই দুয়ো বন্ধুকে আকৌ ওচৰচপাই আনে। অৱশ্যে শেষত 'খ'ই 'ঙ'কো প্ৰত্যাখ্যান কৰি 'ব'ৰ সৈতে বিয়াত বহে। 'ঙ'ৰ পৰা 'ক' আৰু 'গ'ই গম পালে যে ইতিমধ্যে 'ভ' আৰু 'ফ'ও 'খ'ৰ প্ৰেমত পৰি ব্যৰ্থ প্ৰেমিকৰ শাৰীত নাম লিখাইছে।

গল্পটোত এই বিন্দুবোৰে বাস্তৱ মানুহৰ দৰে চিন্তা কৰিছে আৰু বিবিধ কাৰ্য কৰিছে। এইবোৰ জ্যামিতিৰ বিন্দুৰ দৰে – স্থিতি আছে কিন্তু বিস্তাৰ নাই। বিন্দুৰ স্থিতি সীমাবদ্ধ আৰু একান্ত একক। অৱস্থিতিবাদৰ মতে মানুহৰ অস্তিত্ব সামূহিকতাত নহয়, ই একান্তই ব্যক্তিগত আৰু একক। মানুহৰ এই পৃথক অস্তিত্বৰ কথা গল্পটোৰ এঠাইত স্পষ্ট হৈ উঠিছে এইদৰে– "বৃত্তটোৰ বিভিন্ন বিন্দুত আমি বহুতো ৰূপ দেখো – মাতৃৰ, ভগ্নীৰ, স্ত্ৰীৰ কিন্তু হৃদয়ৰ স্থানত মাথো এজনেই।"[৩২৯] বৃত্তৰ সৃষ্টি কৰা ৰেখাডাল অনেক বিন্দুৰ সমষ্টি। সেইদৰে গোলাকাৰ জগতখনো অনেক মানুহৰ সমষ্টিৰে গঠিত। অথচ প্ৰত্যেকৰে অস্তিত্ব পৃথক পৃথক।

অৱস্থিতিবাদী দৰ্শনৰ মতে যিহেতু মানুহৰ অস্তিত্ব পৃথক, গতিকে জীৱনৰ লক্ষ্য, উদ্দেশ্য আৰু সমস্যাও প্ৰত্যেকৰে সুকীয়া সুকীয়া। সমস্যা একে নহয় বাবে সমাধানৰ উপায়ো কাৰো উমৈহতীয়া হ'ব নোৱাৰে। এসময়ৰ অন্তৰংগ বন্ধু যদিও প্ৰেমৰ তাড়নাই যাত্ৰাপথ পৃথক কৰি পেলোৱা 'ক'ই 'গ'ক কৈছে– "বন্ধু! অসম্ভৱ 'গ', ভাগ্যৰ নিষ্ঠুৰ খেলত আজি আমাৰ কক্ষপথ বিভিন্ন। একে পথেৰে আমি যাত্ৰা আৰম্ভ কৰিছিলো – কিন্তু আজি একেই লক্ষ্যৰ পিনেই আমি সমান্তৰালভাৱে গতি কৰিছো। পেৰেলেল লাইন– সমান্তৰাল ৰেখা। মিলিত হোৱাটো কি সম্ভৱ!"[৩৩০]

---

৩২৮। সৌৰভ কুমাৰ চলিহা– 'জ্যামিতি', *ৰামধেনু*, ৬ষ্ঠ বছৰ, ১২শ সংখ্যা

৩২৯। সৌৰভ কুমাৰ চলিহা– 'জ্যামিতি', *অশান্ত ইলেক্ট্ৰন*, পৃঃ ৫০

৩৩০। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫১

*ৰামধেনু*ত প্ৰকাশিত এইজন গল্পকাৰৰ আন এটা গল্প– 'দুপৰীয়া'ত[৩৩১] মানুহৰ মনৰ মাজত একেখিনি সময়তে কিদৰে কোনো প্ৰকাৰ সংগতিহীন ভাৱৰ উদ্রেক হ'ব পাৰে,- তাকেই ইয়াত দেখুওৱা হৈছে। এই গল্পটোত নায়িকাগৰাকী অনুপস্থিত। এগৰাকী সন্তানহীনা নাৰীৰ হৃদয়ৰ নিসংগতা আৰু বেদনাৰ মৰ্মস্পৰ্শী কাৰুণ্য ব্যঞ্জিত হৈছে আন দুটা চৰিত্ৰৰ কথোপকথনৰ মাজেদি। মানুহৰ দুগৰাকীৰ কথা-বতৰাতেই গল্পৰ কাহিনীভাগ আগবাঢ়িছে। সংলাপৰ যোগেদিয়ে এগৰাকী নিঃসন্তান নাৰীৰ দুপৰীয়াৰ, নিঃসংগ জীৱনৰ ছবি অংকন কৰা হৈছে।

এই গল্পটোৰ সম্পৰ্কে এইখিনিতে ড° হীৰেন গোঁহাই মন্তব্য উল্লেখ কৰিব পাৰে–

> তেখেতৰ (সৌৰভকুমাৰ চলিহা) অন্যতম আকৰ্ষণীয় সৃষ্টি দুপৰীয়াৰ ইংগিতমুখৰ সাৰল্য আৰু মিতাচাৰ যদিও সজীৱ চেতনাৰ লক্ষণ তথাপি তাৰ সামৰণি মোৰ ধাৰণাত গতানুগতিক আৰু anti-climatic । সেই উপসংহাৰত আশাৰ বাণী শুনি আমাৰ স্বস্তি উপজিব পাৰে, কিন্তু সি এক গভীৰ সমবেদনাত মামুলি সান্ত্বনাৰ ৰহণ সনিলে। যদি তাকে নকৰি কথাচহকী মহিলাগৰাকীৰ মুখত দুপৰীয়াৰ অপাৰ শূন্যতা আৰু বিৰক্তিৰ স্বৰূপ ফুটাই তুলিয়েই লেখক ক্ষান্ত হ'লহেঁতেন তেতিয়াহ'লে তাতেই এগৰাকী দুৰ্ভগীয়া নাৰীৰ জীৱনৰ চৰম ব্যৰ্থতা আৰু নিঃসংগতা প্ৰতিবিম্বিত হ'লহেঁতেন। চেখভৰ বহু গল্পৰে গতানুগতিক সামৰণি নাথাকে, কিন্তু তাৰ পৰিবেশ আৰু দুই এক উটি-ভাঁহি ফুৰা খুটিনাটিতে গল্পৰ মৰ্ম প্ৰতিভাত হয়। যথাৰ্থ আধুনিকতাৰ লগত সংযোগ স্থাপন কৰিবলৈ লেখকে নিজৰ ৰচনাৰ নিৰ্মম সমালোচনাত ব্ৰতী হব লাগিব সময়ে সময়ে।[৩৩২]

সৌৰভ কুমাৰ চলিহাৰ অন্য এটা গল্প 'আচ্ছন্ন'ত[৩৩৩] চেতনাস্ৰোত ভাৱধাৰাৰ সফল প্ৰয়োগ দেখা যায়। ইয়াতো আধুনিক নগৰীয়া জীৱনৰ ভগ্নছন্দ আৰু বিচ্ছিন্নতা সুন্দৰভাৱে পৰিস্ফুট হৈছে। ৰোমান্টিক প্ৰেমৰ ব্যৰ্থতাৰ এক মুহূৰ্তৰ ওপৰত গল্পটো প্ৰতিষ্ঠিত।

গল্পটোত নায়কে এদিনাখন নায়িকাৰ ঘৰলৈ গৈ গম পাইছে যে নায়িকা তেওঁ অহাৰ অলপ আগতে বায়েকৰ সৈতে ফুৰিবলৈ ওলাই গৈছে । অথচ নায়ক সেইদিনা তেওঁৰ ঘৰলৈ আহিব বুলিও

৩৩১। সৌৰভ কুমাৰ চলিহা– 'দুপৰীয়া', *ৰামধেনু*, ১৩শ বছৰ, ১০ম সংখ্যা

৩৩২। হীৰেন গোঁহাই– 'সাম্প্ৰতিক অসমীয়া গল্প সাহিত্যত নতুন বাস্তৱবোধ', *সাহিত্যৰ সত্য*, পৃঃ ৩৭

৩৩৩। সৌৰভ কুমাৰ চলিহা– 'আচ্ছন্ন', *ৰামধেনু*, ১৪শ বছৰ, ১০ম সংখ্যা

নায়িকাই জানে আৰু পিচদিনা ৰাতিপুৱাই নায়িকা কলিকতালৈ যোৱাগৈ কথা – গতিকে নায়কৰ সৈতে দেখা সাক্ষাৎ হোৱাৰ সুবিধা বা সময় দুয়োটাই ইতিমধ্যে শেষ হৈ গৈছে। নায়িকাই তেওঁৰ প্ৰেম প্ৰত্যাখ্যান কৰিছে– এই নিদাৰুণ আকস্মিক সত্যটো নায়কৰ আচম্বিত পোহৰৰ ঝলকত দেখাৰ দৰেই পৰিষ্কাৰ হৈ পৰিল। নায়ক দুখত মৰ্মাহত হ'ল। কিন্তু তথাপিও নায়িকাৰ মাকৰ ওচৰত নিজৰ দুৰ্বলতা প্ৰকাশ নকৰি অত্যন্ত সংযমেৰে সেই স্থান পৰিত্যাগ কৰিলে আৰু চহৰৰ ৰাস্তাত অনাই বনাই পৰিভ্ৰমণ কৰি ফুৰিবলৈ ধৰিলে। নায়ক এজন লেখক। কিন্তু তৎসত্বেও তেওঁ এই ভগ্ন হৃদয়ৰ বেদনা প্ৰকাশ কৰিব পৰা নাই। লিখিবলৈও তেওঁৰ পুৰণি কৃষ্ণা কলমটো ইতিমধ্যে ৰেডিঅ' চেন্টাৰতে এৰি থৈ আহিল। পুৰণি মৰমৰ কলমটো হেৰুৱাৰ বেদনা আৰু নায়িকাক হেৰুৱাৰ বেদনা একাকাৰ হৈ পৰিছে। কলমটোৰ দুখক প্ৰতীকীভাৱে অধিক প্ৰাধান্য দি আখ্যায়কে দুঃখ কৰিছে যদিও নায়ক যে নায়িকাৰ বেদনাতে প্ৰকৃতাৰ্থত নিঃস্ব হৈ পৰিছে সেয়া অনুমান কৰিব পাৰি।

সেইদিনা নায়িকাৰ মাকৰ কথাৰ পৰা তেওঁৰ প্ৰেম ব্যৰ্থ হোৱাৰ ইংগিত পোৱাৰ লগে লগে নায়কৰ চেতনা যি এবাৰ জাগ্ৰত হ'ল, সি আৰু নিৰবচ্ছিন্ন ভাৱে চলিয়েই থাকিল। তেওঁ চহৰখন পৰিভ্ৰমণ কৰি থকা সময়খিনিত দেখা চহৰীয়া জীৱনৰ কৰ্কশ, ছন্দহীন, যান্ত্ৰিক জীৱন যাত্ৰা, বিভিন্ন শব্দ, চীৎকাৰ, কলৰৱ, গোন্ধ আদি সূক্ষ্ম পৰ্যবেক্ষণৰ জৰিয়তে প্ৰকাশ কৰিছে। সেই সৰু-সুৰা, ছিগা-ছিগি ঘটনাবোৰৰ কোনো সশৃংখল গাঁথনি নাই। ফলত সেইবোৰ কোনো কাহিনীৰ সৃষ্টি নকৰে। সেইদিনা নায়কৰ জীৱনত যিবোৰ অভিজ্ঞতা হয়, যিবোৰ ভাৱ অনুভূতি জাগে– সেইবোৰেই ইয়াৰ ঘটনা বা আখ্যান ভাগ। সেইবোৰ মাথোন ঘটি যায় বা আহি থাকে- কোনো লাগ-বান্ধ নোহোৱাকৈ, কোনো আঁচনি নকৰাকৈ। চহৰৰ আলিয়ে-গলিয়ে তেওঁ ঘূৰি ফুৰিছে আৰু বিভিন্ন মানুহ দেখিছে– কথা শুনিছে আৰু সিহঁতৰ মুখৰ ভাষা পঢ়ি গল্পৰ বাবে প্ৰয়োজনীয় আহিলা বিচাৰি ফুৰিছে। নগৰীয়া জীৱন চেতনা প্ৰকাশ পোৱা সৌৰভ কুমাৰ চলিহাৰ আন এটা গল্প হৈছে 'বাৰকাৰ'ল'।[৩৩৪] ইয়াত দাৰিদ্ৰ্যৰ ভয়াবহ ৰূপ, সৃষ্টিৰ বেদনা, মধ্যবিত্ত জীৱনৰ বিভিন্ন চৰিত্ৰৰ কাৰ্যকলাপ আদিৰ ঐক্যতান বাজিছে। হাঁহি আৰু চকুলোৰ মিশ্ৰণ থকা এই গল্পটোত হাস্যৰসৰ প্ৰকাশ আছে। মামাৰ অহৈতুক বদমেজাজ আৰু লোকেন ভট্টৰ ইলিছ মাছ প্ৰীতিয়ে হাস্যৰসৰ যোগান ধৰিছে।

৩৩৪। সৌৰভকুমাৰ চলিহা – 'বাৰকাৰ'ল', *অশান্ত ইলেক্ট্ৰন*, পৃঃ ৭৮,

'বাৰ্‌কাৰ'ল'ত সৃষ্টি আৰু স্ৰষ্টাৰ সম্পৰ্ক আৰু সম্পৰ্কৰ জটিলতাৰ আভাস দিয়া হৈছে। কেতিয়াবা মাতৃ আৰু পুত্ৰৰ মানৱীয় সম্পৰ্কৰ জটিলতা আৰু কেতিয়াবা লেখক আৰু তেওঁৰ সৃষ্টিৰ যন্ত্ৰণাময় জটিলতাৰ ওপৰত ৰেখাপাত কৰা হৈছে – "চিন্তা কৰা, সৃষ্টি কৰা, জন্ম দিয়া সকলো বস্তু কোমল, মানুহৰ মন কোমল, প্ৰতিমা সজা মাটি কোমল, মাতৃগৰ্ভ কোমল। – সৃষ্টি কৰিবলৈ হ'লে তাৰ লগত কষ্টও পাব লাগিব।"[৩৩৫]

'বাৰ্‌কাৰ'ল' গল্পটোৰ সম্পৰ্কে উপেন্দ্ৰনাথ শৰ্মাই কৈছে–

> বাৰ্‌কাৰ'ল'ত দাৰিদ্ৰৰ নিষ্পেষণ, কাব্যসৃষ্টিৰ গলদ্‌ঘৰ্ম পৰিশ্ৰম, ধনীৰ দৃষ্টিভংগীৰ স্থূলতা, লোকেন ভট্ট আৰু মহেশ বৰুৱাৰ দৰে চৰিত্ৰৰ যোগেদি বিভিন্ন মুখাৰ প্ৰয়োগ, কৈশোৰ আৰু যৌৱনৰ প্ৰাণ-প্ৰাচুৰ্য আদি সানমিহলি হৈ আছে। ......সহানুভূতিমিশ্ৰিত শ্লেষ চলিহাৰ অফুৰন্ত হাস্যৰসৰ অন্যতম উপাদান।[৩৩৬]

সৌৰভ কুমাৰ চলিহাৰ গল্পৰ ভাষায়ো এক ধৰণৰ বিশেষত্ব বহন কৰিছে। বৈজ্ঞানিক শব্দৰ প্ৰাচুৰ্য তেওঁৰ গল্পত ব্যৱহৃত ভাষাৰ অন্যতম লক্ষণ। ইংৰাজী ধৰ্মী বাক্য-গাথনি আৰু ইংৰাজী শব্দৰ বহুল প্ৰয়োগ আৰু বিজতৰীয়া বা বাৰে-বঙলুৱা শব্দৰ ব্যৱহাৰো যথেষ্ট পৰিমাণে দেখা যায়।

জীৱনৰ সত্য প্ৰকাশ কৰিবলৈ যাওঁতে বিভিন্ন প্ৰতীকৰ ব্যৱহাৰ আৰু অত্যন্ত সূক্ষ্ম বিশ্লেষণেৰে চুটিগল্পৰ কলাগুণৰ প্ৰতি সজাগ দৃষ্টি ৰখা এইজন গল্পকাৰৰ কলাকৌশলৰ দক্ষতা সম্পৰ্কে হোমেন বৰগোহাঞিৰ মন্তব্য প্ৰণিধানযোগ্য– "চুটিগল্পৰ কলাকৌশল সৌৰভ চলিহাৰ বিস্ময়কৰৰূপে আয়ত্বাধীন। সঁচা কথা ক'বলৈ গ'লে এই বিষয়ে তেওঁতকৈ দক্ষ শিল্পী বৰ্তমান অসমত বোধহয় এজনো নাই।"[৩৩৭] তেওঁৰ গল্পৰ জটিলতা, বুদ্ধিনিষ্ঠতাৰ বাবে পাঠকৰ সংখ্যা সীমিত যদিও এইটো অনস্বীকাৰ্য যে চুটিগল্পক বৌদ্ধিকতাৰ ওচৰ চপাই নিয়াৰ ক্ষেত্ৰত সৌৰভ কুমাৰ চলিহা অসমীয়া চুটিগল্পৰ ইতিহাসত পথিকৃৎ লেখক।

---

৩৩৫। সৌৰভ কুমাৰ চলিহা– 'বাৰকাৰ'ল', *অশান্ত ইলেক্ট্ৰন*, পৃঃ ৭৮,

৩৩৬। উপেন্দ্ৰ নাথ শৰ্মা- 'চুটিগল্প', *অসমীয়া সাহিত্যৰ বুৰঞ্জী*, পৃঃ ৪৬০

৩৩৭। হোমেন বৰগোহাঞি– 'বিশ্বসাহিত্যত অসমীয়া চুটিগল্পৰ স্থান', *প্ৰবন্ধ চয়ন*, পৃঃ ৫২

# চন্দ্রপ্রসাদ শইকীয়া

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চন্দ্ৰপ্ৰসাদ শইকীয়া যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ এগৰাকী অন্যতম বিশিষ্ট কথাসাহিত্যিক। একেধাৰে সাংবাদিক, গল্পকাৰ, ঔপন্যাসিক চন্দ্ৰপ্ৰসাদ শইকীয়াই হৃদয়স্পৰ্শী, প্ৰাঞ্জল অথচ বলিষ্ঠ গদ্যৰীতিৰে অলেখ গল্প আৰু উপন্যাস ৰচনা কৰিছে। বাস্তৱবাদ আৰু আদৰ্শবাদৰ সংঘাতক লৈ ৰচনা কৰা তেওঁৰ সাহিত্যত সদায়েই আদৰ্শক উচ্চাসন দি অহা হৈছে । *কামধেনু*ৰ পাততে সাহিত্যিক জীৱনৰ আত্মপ্ৰকাশ আৰু পূৰ্ণবিকাশ ঘটা শইকীয়াৰ গল্প সংকলন কেইখনমান হ'ল – *মায়ামৃগ* (১৯৬৪), *নাচপতি ফুল*(১৯৭৪) , *অংগীকাৰ* (১৯৮৩), *চন্দ্ৰ প্ৰসাদ শইকীয়াৰ নিৰ্বাচিত গল্প* (১৯৯৯), *চক্ৰবৎ* ইত্যাদি। বক্তব্যপ্ৰধান তেওঁৰ গল্পত প্ৰত্যক্ষভাৱে মধ্যবিত্ত জীৱনৰ ভণ্ডামি আৰু আত্মপ্ৰবঞ্চনাৰ চিত্ৰ দেখা যায়।

১৯৯৫ চনত চন্দ্ৰপ্ৰসাদ শইকীয়াই তেখেতৰ মহাকাব্যিক উপন্যাস *মহাৰথী* (১৯৯২)ৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে য'ত তেওঁ মহাভাৰতৰ কৰ্ণৰ চৰিত্ৰক আলোকসন্ধানী ৰূপত উপস্থাপন কৰিছে। *মন্দাক্ৰান্তা* (১৯৬০) , *মেঘমল্লাৰ*(১৯৬৩) , *উত্তৰকাল*(১৯৭২) , *জন্মান্তৰ*(১৯৭৪) , *তোৰে মোৰে আলোকৰে যাত্ৰা*(১৯৯৯) আদি তেওঁৰ উল্লেখযোগ্য উপন্যাস।

১৯২৭ চনত আমগুৰিত জন্মলাভ কৰা চন্দ্ৰপ্ৰসাদ শইকীয়াই ছাত্ৰাৱস্থাতে বিয়াল্লিছৰ আন্দোলনত যোগদানৰ বাবে কাৰাবাস খটিছিল। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি তেখেতে সাংবাদিক ৰূপেও জীৱনৰ দীঘলীয়া পৰিক্ৰমা পাৰ কৰি আহিছে। বৰ্তমান অসমীয়া ভাষা-সাহিত্যৰ অগ্ৰণী মাহেকীয়া আলোচনী *গৰীয়সী*ৰ সম্পাদক হিচাপে শ্ৰীশইকীয়াৰ অৱদান গুৰুত্বপূৰ্ণ। চন্দ্ৰপ্ৰসাদ শইকীয়াই ষাঠিৰ দশকৰ জনপ্ৰিয় আলোচনী প্ৰকাশৰো দায়িত্বশীল সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল।

চন্দ্ৰপ্ৰসাদ শইকীয়াৰ গল্পত আদৰ্শৰ প্ৰতি গভীৰ নিষ্ঠা লক্ষ্য কৰা যায়। তেওঁৰ গল্পৰ প্ৰায়বোৰ চৰিত্ৰই নিজকে আদৰ্শনিষ্ঠ জীৱনৰ প্ৰতি নিজকে পণ কৰিছে। এই ধৰণৰ আদৰ্শবাদী তথা সুৰুচি সম্পন্ন চৰিত্ৰই মানৱীয় প্ৰমূল্যৰ অন্বেষণত সততে ব্ৰতী হৈ থাকে।

> আদৰ্শ আৰু নৈতিক প্ৰমূল্যৰ মহত্ব আৰু ৰুচি আৰু সৌন্দৰ্যবোধৰ মহত্বত গুৰুত্ব দি অহা শইকীয়াৰ মাজত ৰোমান্তিক ভাবাদৰ্শৰ আৰু প্ৰকাশভংগীৰ পৰিচয় ফুটি উঠে।[৩৩৮]

চুটি বাক্য আৰু প্ৰাঞ্জল গদ্যৰীতিৰে ব্যঞ্জনাময় পৰিস্থিতি অংকন কৰাত চন্দ্ৰপ্ৰসাদ শইকীয়া সিদ্ধহস্ত। সাধাৰণ আৰু গতানুগতিক বিষয়বস্তুৰে গঢ় লৈ উঠা শইকীয়াৰ গল্পত চৰিত্ৰ চিত্ৰণৰ বৈচিত্ৰ্য পৰিলক্ষিত নহয়। তেওঁৰ বক্তব্য গল্পৰ মাজত পৰোক্ষ ৰূপত প্ৰকাশ পায়। চৰিত্ৰৰ মানসিক সংঘাত সৃষ্টি কৰি গল্পকাৰে তাৰ অন্তৰালৰ কাৰণসমূহ বৰ্ণনা কৰি দিয়াৰ বাবে সেই সংঘাত চমকপ্ৰদ ৰূপত ফুটি নুঠে।

---

৩৩৮।নগেন শইকীয়া – 'শতাব্দীৰ পোহৰত অসমীয়া চুটিগল্প', *শতাব্দীৰ পোহৰত অসমীয়া চুটিগল্প* পৃ. ১০

এইজন গল্পকাৰৰ চৰিত্ৰৰ বিষয়ে হোমেন বৰগোহাঞিয়ে মন্তব্য কৰিছে —

> চন্দ্ৰপ্ৰসাদ শইকীয়াৰ গল্পত চৰিত্ৰ চিত্ৰণৰ বৈচিত্ৰ্য নাই, একেটা মূল চৰিত্ৰই বিভিন্ন গল্পত বিভিন্ন ৰূপত আত্মপ্ৰকাশ কৰিছে আৰু সেই চৰিত্ৰটো হ'ল আদৰ্শবাদী আৰু মানৱিক প্ৰমূল্য অন্বেষী লেখকজনৰ আপোন ব্যক্তিত্বৰেই প্ৰক্ষেপণ।[৩৩৯]

মানৱতাবাদত বিশ্বাসী চন্দ্ৰপ্ৰসাদ শইকীয়াৰ গল্পত আদৰ্শৰ অন্বেষণৰ উপৰিও এই আদৰ্শৰ অৱক্ষয়ৰ মৰ্মবেদনাই তেওঁৰ গল্পৰ ঠাই পাইছে। এনে বিষয়বস্তুৰে গঢ় লৈ উঠা এটা সফল গল্প হৈছে 'মায়ামৃগ'[৩৪০]। একালৰ মেধাৱী ছাত্ৰ হেমন্তই ক্ষমতা আৰু প্ৰতিষ্ঠাৰ মায়ামৃগ খেদি ফুৰে। হেমন্তৰ এই অধঃপতনত আদৰ্শবান শিক্ষক পৰশুৰাম বৰুৱা ক্ষুব্ধ হয় আৰু তেওঁ হেমন্তক শান্ত স্বৰেৰে তীব্ৰ ককৰ্থনা কৰে। অৱশেষত হেমন্তই নিজৰ কু-কাৰ্যৰ বাবে লজ্জিত হৈ অনুতপ্ত হয় আৰু ভণ্ডামিৰ মুখাখন খুলি পেলায়। গল্পটোত স্বৰাজোত্তৰ কালত দেখা দিয়া ব্যক্তি তথা সমাজ জীৱনলৈ নামি অহা নৈতিক বিশৃংখলতা আৰু আদৰ্শৰ স্খলন প্ৰতিভাত হৈছে। দেশৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰাটোকে পিচত সুবিধা হিচাপে গ্ৰহণ কৰাৰ বিষয়ে গল্পকাৰে কৈছে পৰশুৰাম বৰুৱাৰ মুখেৰে–"দুদিনৰ বাবে জেলত আছিলা বুলিয়েই স্বাধীন চৰকাৰৰ পৰা পুৰস্কাৰ বিচৰাৰ ঘৃণনীয় কাহিনী বোধকৰো পৃথিৱীৰ আৰু কোনো দেশত নাই। আন্দোলনত সৰ্বস্ব হেৰুওৱা কোনোবাই হয়তো নিজৰ কাৰ্যশক্তিৰ অক্ষমতাৰ বাবে কিবা এটা পালে।কিন্তু তাৰ বাবে যি দাবী কৰে তাৰ দৰে আৰু লজ্জাৰ কথা কি থাকিব পাৰে ? দেশৰ প্ৰগতিৰ নামত ৰঘুমলাৰ দৰে সৃষ্টি হোৱা এই ব্যৱসায়ী দলটো যিমান সোনকালে নিঃশেষ হৈ যায় সিমানেই দেশখনৰ মঙ্গল হ'ব বুলি মই ভাবো।"[৩৪১]

চন্দ্ৰপ্ৰসাদ শইকীয়াৰ গল্পৰ সম্পৰ্কে উপেন্দ্ৰনাথ শৰ্মাই কৈছে –

> তেওঁৰ গল্পত বৌদ্ধিকতাৰ ছাপ আছে। তেওঁ জটিল আংগিকৰ অনুসন্ধানৰ প্ৰতি আকৃষ্ট নহয়। তেওঁৰ গল্পৰ গতি পোনপটীয়া আৰু ঠাই বিশেষে বক্তব্যপ্ৰধান। আনহাতেদি গল্পকাৰৰ কৃতকাৰ্যতাৰ বাবে প্ৰয়োজনীয় সহজ নাটকীয়তা তেওঁৰ আয়ত্বাধীন ।[৩৪২]

পতিতা নাৰীৰ প্ৰতি মানৱীয় দৃষ্টিভঙ্গীৰে গঢ় লৈ উঠা এটা গল্প হ'ল 'উত্তৰাৰ উত্তৰ '।[৩৪৩] ইয়াত গল্পকাৰে সমাজৰ চকুত বাৰংগনাৰূপে স্বীকৃত এগৰাকী নাৰীক নাৰী হিচাপে চাবলৈ, সন্মান কৰিবলৈ প্ৰয়াস কৰিছে। এদিনাখন চিনেমাহলত লগ পোৱা উত্তৰাই নায়কক পিচদিনা তেওঁৰ ঘৰলৈ নিমন্ত্ৰণ জনায়। জীৱনৰ চিৰদিন অপৰিচিতা অথচ চৌব্বিছ ঘন্টাৰ পৰিচিতা উত্তৰাৰ ঘৰলৈ গৈ নায়কে দুটা পৃথক পৃথক অভিজ্ঞতা লাভ কৰে। প্ৰথমটো উত্তৰাই নায়কক তেওঁৰ ওচৰলৈ সচৰাচৰ অহা মানুহৰ

৩৩৯। হোমেন বৰগোহাঞি– 'পাতনি',(অসমীয়া চুটিগল্প–১৯৪০-১৯৭০),*অসমীয়া গল্প সংকলন*, পৃঃ২৫

৩৪০। চন্দ্ৰপ্ৰসাদ শইকীয়া– 'মায়ামৃগ', *ৰামধেনু*, ১২শ বছৰ, ২য় সংখ্যা

৩৪১। চন্দ্ৰপ্ৰসাদ শইকীয়া– 'মায়ামৃগ', *ৰামধেনুৰ* শ্ৰেষ্ঠ গল্প, পৃঃ ১০৩

৩৪২। উপেন্দ্ৰনাথ শৰ্মা – 'চুটিগল্প', *অসমীয়া সাহিত্যৰ বুৰঞ্জী*, ৬ষ্ঠ সংখ্যা

৩৪৩। চন্দ্ৰ প্ৰসাদ শইকীয়া– 'উত্তৰাৰ উত্তৰ', *ৰামধেনু*, ৯ম বছৰ, ২য় সংখ্যা

লগৰে এজন বুলি ধৰি লৈ কৰা অমাৰ্জিত বেশভূষাৰ অৰুচিকৰ ব্যৱহাৰ আৰু দ্বিতীয়টো নিজৰ ভুল বুজিব পাৰি এজনী সাধাৰণ অতিথিপৰায়ণ ছোৱালীৰ মাৰ্জিত সুন্দৰ আচৰণ। নিজৰ পিতৃ-মাতৃৰ অৱহেলাত অতীষ্ঠ হৈ ঘটনাচক্ৰত পৰি এই নৰকত ভৰি থোৱা উত্তৰাৰ জীৱন কাহিনী নায়কে শুনি যায়।

পুৰুষ আৰু প্ৰকৃতিৰ প্ৰেমৰ যি ছবি চন্দ্ৰপ্ৰসাদ শইকীয়াৰ তেওঁৰ গল্পত আঁকিছে,- সেই প্ৰেম অতিকে সংযত। সাধাৰণতে এইজন গল্পকাৰে নগৰীয়া মধ্যবিত্তৰ চৰিত্ৰ ৰূপায়ণ কৰে। মানুহৰ সততা আৰু মহত্বৰ ওপৰত আস্থা থকা শইকীয়াৰ গল্পৰ বেছিভাগ চৰিত্ৰই সৎ আৰু আদৰ্শপৰায়ণ। তেওঁৰ বেছিভাগ চৰিত্ৰই শক্তিশালী । প্ৰতিকূল পৰিবেশতো নিজৰ স্থিতি অটুট ৰাখিব পৰাকৈ চৰিত্ৰবোৰৰ মাজত ধৈৰ্য আৰু সাহসৰ অভাৱ নঘটে। ত্যাগ কৰিবলৈ তেওঁলোকে কুণ্ঠাবোধ নকৰে। এইবোৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ সুন্দৰ প্ৰতিফলন ঘটিছে 'অপৰাজিতা' [৩৪৪] গল্পৰ অনুৰাধা, অঞ্জনা আৰু অজয়ৰ চৰিত্ৰত।

গল্পৰ দুই নায়িকা অনুৰাধা আৰু অঞ্জনা, নায়ক অজয়। স্বাধীনতা আন্দোলনৰ সময়ত পলাতক অৱস্থাত নিজৰ বিপদলৈ চিন্তা নকৰি এবাৰ অচিনাকী অনুৰাধাই নিজৰ ঘৰত অজয়ক স্থান দিছিল। যথাসময়ত অজয় স্বাধীন দেশৰ চৰকাৰী চাকৰিয়াল হ'ল আৰু তাৰ বিয়াৰ বাবে মাতৃয়ে অঞ্জনা নামৰ এগৰাকী প্ৰকৃতাৰ্থত আধুনিকা নাৰীক পচন্দ কৰিলে। কিন্তু নিজৰ ভৱিষ্যতৰ স্বপ্ন ভাঙি অঞ্জনাই অনুৰাধাৰ ভৱিষ্যৎ গঢ়াত লাগিল। কিয়নো তাই অজয়ৰ প্ৰতি থকা অনুৰাধাৰ অনুৰাগৰ বিষয়ে ইতিমধ্যে জানিছিল। প্ৰথমতে অনুৰাধাক তাইৰ প্ৰতিদ্বন্দ্বী যেন লাগিলেও পিচত অঞ্জনাই অনুভৱ কৰিলে অনুৰাধাৰ প্ৰেমৰ মহত্বক। আদৰ্শ আৰু ন্যায়ৰ বাবে ত্যাগৰ মানসিকতা অনুৰাধা আৰু অঞ্জনা দুয়োজনীৰে আছে। অজয়ো আদৰ্শবাদী যুৱক। যিকোনো পৰিস্থিতিতে নিজৰ কৰ্তব্যৰ প্ৰতি অজয় সদা সচেতন।

চন্দ্ৰপ্ৰসাদ শইকীয়াৰ গল্পৰ চৰিত্ৰৰ এই বৈশিষ্ট্যসমূহৰ পৰা সম্পূৰ্ণ আঁতৰত থকা চৰিত্ৰ হৈছে 'মদাৰ ফুল' [৩৪৫] গল্পৰ নায়ক পৱন। পৱন উচ্চ পদবীধাৰী চৰকাৰী বিষয়া – এসময়ৰ গাঁৱৰে বাসিন্দা যদিও বৰ্তমান সময়ত গাঁৱলৈ আহিবলৈ সময় উলিয়াবলৈ অপাৰগ। বিয়াৰ দুবছৰৰ পিছত পৱন গাঁৱৰ ঘৰখনলৈ আহে – অকলে। কাৰণ আধুনিকা স্ত্ৰী লাৱণ্যৰ গাঁৱলৈ আহিবলৈ অকনো ইচ্ছা, আগ্ৰহ বা বোৱাৰীৰ দায়িত্বজ্ঞান নাই। পৱনৰ প্ৰতি তাৰ ঘৰখনৰ মাকৰ, ককায়েক-বৌৱেকহঁতৰ কিমান হেঁপাহ সি নজনা নহয়। কিন্তু সি তাৰ চৌপাশৰ পৰিবেশ পৰিস্থিতিক নিজৰ আয়ত্বলৈ আনিব নোৱাৰে। সকলো বুজি পোৱা সত্বেও পৱনে নুবুজাৰ ভাও ধৰে। পৱনে তাৰ নিজৰ গাওঁখন, আত্মীয় স্বজন, বন্ধু বান্ধৱ সকলোৰে প্ৰতি দেখুৱাই অহা উদাসীনতাৰ প্ৰতিদান স্বৰূপে লাভ কৰিছে মৰম-স্নেহ আৰু আশীৰ্বাদৰ অফুৰন্ত ভাণ্ডাৰ। অথচ সেইখন আপোন ঠাই, সেইবোৰ নিঃস্বাৰ্থ মানুহৰ প্ৰতি পৱনৰো অন্তৰৰ টান আছে কিন্তু সি সেইয়া কথা বা কামেৰে প্ৰকাশ কৰিব নোৱাৰে। ঘৰৰ পৰা নগৰলৈ উভতি যাওঁতে সি

৩৪৪। চন্দ্ৰপ্ৰসাদ শইকীয়া– 'অপৰাজিতা', *ৰামধেনু*, ৮ম বছৰ, ৪ৰ্থ সংখ্যা

৩৪৫। চন্দ্ৰপ্ৰসাদ শইকীয়া– 'মদাৰ ফুল', *ৰামধেনু*, ১১শ বছৰ, ১১শ সংখ্যা

অনুভৱ কৰে —

বহুদিন ধৰি সি কোনোবা এখন ৰোমাণ্টিক উপন্যাসৰ বা এটা সুন্দৰ গল্পৰ একমাত্ৰ নায়ক হোৱাৰ কামনা কৰি আছিল – জয়ী হৈ জীয়াই থাকিবলৈ বিচাৰিছিল। কিন্তু যাত্ৰাৰ শেষত প্ৰচণ্ড গতিৰ ৰেলৰ এটা কোঠাৰ মাজত বহি সি বুজি পালে যে সি মাত্ৰ এটা ক্ষয়গ্ৰস্ত, সৰ্বনাশী পৰিস্থিতিৰ দুৰ্ভগীয়া নায়ক – অবাঞ্চিত আৰু অনিমন্ত্ৰিত। [৩৪৬]

চন্দ্ৰপ্ৰসাদ শইকীয়াৰ গল্পৰ সন্দৰ্ভত ত্ৰৈলোক্য নাথ গোস্বামীয়ে মন্তব্য দিছে –

শইকীয়াৰ প্ৰধান লক্ষ্য কোনো এটা ঘটনাৰ ভাৱময় ফলটোৰ প্ৰতি। ভাৱময় পৰিস্থিতি সৃষ্টিৰ চেষ্টাৰ কাৰণে তেওঁৰ ভংগীও ঠায়ে ঠায়ে হৈ পৰিছে কাব্যিক। [৩৪৭]

'অথিৰ এহু সংসাৰ' [৩৪৮] চন্দ্ৰ প্ৰসাদ শইকীয়াৰ উল্লেখযোগ্য গল্প। গল্পৰ নায়িকা সৰলা বুঢ়ীৰ দৃঢ়তা আৰু সাহস প্ৰশংসাযোগ্য। নিয়তিয়ে সৰলাক বৰ বেয়াকৈ পৰিহাস কৰিছে বাৰে বাৰে – কিন্তু তথাপিও সৰলা ভাঙি পৰা নাই, তেওঁৰ ব্যক্তিত্ব শেষ হৈ যোৱা নাই। সৰলাৰ এসময়ৰ সুখ-সমৃদ্ধিৰে পৰিপূৰ্ণ সংসাৰখনৰ সকলোবোৰ এটা এটিকে চিৰদিনৰ বাবে মহাকালৰ বুকুত লীন হৈ গৈছে। প্ৰথমতে স্বামী, তাৰপিছত ক্ৰমে বোৱাৰী আৰু পুত্ৰ — নিৰুপায় সৰলাই বিধিৰ লিখনক মূৰ দোৱাই স্বীকাৰ কৰি লৈছে। সৰলাৰ দুৰ্ভাগ্যৰ অন্ত সিমানতে নপৰিল। স্বামী পুত্ৰ-পুত্ৰবধূৰ সমাধি থকা সৰলাৰ ঘৰখনৰ চৌপাশ অধিগ্ৰহণ কৰিবলৈ এইবাৰ আহিছে মাটিৰ হাকিম। কিয়নো সেইখিনি ঠাইত তেলৰ সন্ধান পোৱা গৈছে। তেল কোম্পানীৰ বাবে মাটি লবলৈ অহা হাকিমৰ আগত বৃদ্ধা সৰলাই কঁকালত ভেজা দি থিয় হৈ গম্ভীৰ স্বৰেৰে সাহসেৰে মুখামুখি হৈছে। সৰলাই আৰু এবাৰ এনে অদম্য সাহসৰ পৰিচয় দিছিল বিয়াল্লিছৰ গণ আন্দোলনৰ সময়ত। ত্ৰৈলোক্যনাথ গোস্বামীৰ মতে – "সৰলা প্ৰেমচান্দৰ নহ্ৰীৰ অনুৰূপ চৰিত্ৰ। প্ৰেমচান্দৰ নহ্ৰী জীৱন্ত হৈ উঠিছে দেশাত্মবোধৰ প্ৰেৰণাৰ বলত আৰু সৰলা সজীৱ হৈছে নিজৰ আৰু দহজনৰ স্বাৰ্থৰ বাবে সাহসেৰে মাত মতাত।" [৩৪৯] গল্পটোৰ সামৰণিত সৰলাই ঘৰ-দুৱাৰ পৰিত্যাগ কৰি পুনৰ এবাৰ নিজৰ দুৰ্ভাগ্যক আদৰি লৈ অচিন দিশলৈ যাত্ৰা কৰিছে।

চন্দ্ৰপ্ৰসাদ শইকীয়াৰ আন এটি গল্প 'অন্তৰালত' [৩৫০] এজন আধুনিক কবি অচিন্ত্যই কবিতাৰ মাজত নিজৰ জীৱনক পাহৰি পেলাইছে। অসীমাই ভাল পায় অচিন্ত্যক। আৰু এই ভালপোৱাৰ জৰিয়তে চিৰদিনলৈ অচিন্ত্যৰ জীৱনত প্ৰৱেশ কৰিব খোজে। কিন্তু অচিন্ত্যই অসীমাক তেওঁৰ কবিতাৰ এটা জীৱন্ত প্ৰতীক হিচাপেহে গণ্য কৰে। তাইক যে অচিন্ত্যই কেৱল তেওঁৰ নতুন কবিতা সৃষ্টিৰ প্ৰতীক

৩৪৬। চন্দ্ৰ প্ৰসাদ শইকীয়া – 'মদাৰফুল', *ৰামধেনু*- ১১শ বছৰ, ১১শ সংখ্যা, পৃঃ ১০৩৩

৩৪৭। ত্ৰৈলোক্য নাথ গোস্বামী – *আধুনিক গল্প সাহিত্য*, পৃঃ ১৭৯

৩৪৮। চন্দ্ৰ প্ৰসাদ শইকীয়া – 'অথিৰ এহু সংসাৰ', *ৰামধেনু*, ১১শ বছৰ, ৬ষ্ঠ সংখ্যা

৩৪৯। ত্ৰৈলোক্য নাথ গোস্বামী – *আধুনিক গল্প সাহিত্য*, পৃঃ ১৮৯

৩৫০। চন্দ্ৰপ্ৰসাদ শইকীয়া – 'অন্তৰালত', *ৰামধেনু*, ৮ম বছৰ, ১ম সংখ্যা

হিচাপে গ্ৰহণ কৰিছে- সেইয়া অসীমাই বুজিব নোখোজে। অসীমাৰ যুক্তিপূৰ্ণ কথাই তেওঁৰ ওপৰত মাজে সময়ে প্ৰভাৱ পেলালেও বাস্তৱতাৰ মাজলৈ টানি আনিব নোৱাৰে। অৱশ্যে শেষলৈ সময়ৰ ব্যৱধান আৰু অসীমাৰ চিঠিয়ে অচিন্ত্যক জীৱনৰ মাজলৈ লৈ আনিবলৈ সক্ষম হয়।

চন্দ্ৰপ্ৰসাদ শইকীয়াৰ গল্পৰ বিষয়ে ডঃ প্ৰহ্লাদ কুমাৰ বৰুৱাই মন্তব্য দিছে —

> শইকীয়াই চৰিত্ৰৰ মনৰ অতি গভীৰতালৈ সোমাই যাব পাৰিছে বাবেই চৰিত্ৰবোৰ অত্যন্ত জীৱন্ত আৰু গতিশীল হৈ উঠিছে। চন্দ্ৰপ্ৰসাদ শইকীয়াৰ গল্পত অতিকথন আৰু বহু চৰিত্ৰৰ সমাবেশ হলেও শইকীয়াৰ গল্পত ভাৱৰ ঐক্য, ঘটনাৰ ঐক্য আৰু ফলশ্ৰুতিৰ ঐক্য বিনষ্ট হোৱা নাই। সেইবাবে শইকীয়াৰ গল্পই জীৱনৰ ভাসমান মুহূৰ্তৰ মাজেদি ব্যাপক জীৱনৰ সন্ধান দিবলৈ সমৰ্থ হৈছে ।[৩৫১] ১৪

চুটিগল্পক ৰসোত্তীৰ্ণ কৰি তোলাত সহায় আগবঢ়োৱা বিশেষ গুণ নাট্যধৰ্মিতা চন্দ্ৰপ্ৰসাদ শইকীয়াৰ গল্পত পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে 'অন্তৰালত' গল্পটোৰ আৰম্ভণিৰ কথাখিনি উল্লেখ কৰিব পাৰি –

> হিমালয়ৰ ওপৰত অনিৰ্ব্বাৰ গতিৰে মনচুন নামে। ব্ৰহ্মপুত্ৰ প্লাৱিত হয়। ব্ৰহ্মপুত্ৰ পাৰৰ কোনোৱা মানৱী কন্যাৰ চকুৰ পৰাও মনচুন নামে। সেই মনচুনে এই এটমিক্ যুগতো কাৰোবাৰ অন্তৰত অনুভূতিৰ প্লাৱন তোলেনে নোতোলে ?[৩৫২] ১৫

৩৫১। প্ৰহ্লাদ কুমাৰ বৰুৱা – *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, পৃ ২৯২

৩৫২। চন্দ্ৰপ্ৰসাদ শইকীয়া – 'অন্তৰালত', *ৰামধেনু*, ৮ম বছৰ, ১ম সংখ্যা, পৃ ৬৯

## স্নেহ দেৱী

*ৰামধেনু*ৰ পাতত গল্প লিখিবলৈ আৰম্ভ কৰা স্নেহ দেৱী অসমৰ অন্যতম জনপ্ৰিয় যশস্বী গল্পকাৰ। সাধাৰণ অসমীয়া মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত পৰিয়ালৰ পাৰিবাৰিক ঘটনাক কেন্দ্ৰ কৰিয়েই তেওঁৰ গল্পৰ কাহিনী গঢ় লৈ উঠে। মানুহৰ প্ৰতি, বিশেষকৈ নাৰীৰ প্ৰতি এইগৰাকী গল্পকাৰৰ গল্পত এক অতিশয় স্নেহপ্ৰৱণ আৰু সহানুভূতিশীল দৃষ্টিভংগী পৰিলক্ষিত হয়।

স্নেহদেৱীৰ চাৰিখন উল্লেখযোগ্য গল্প সংকলন – *কৃষ্ণা দ্বিতীয়াৰ জোনাক (১৯৫৮), স্নেহ দেৱীৰ গল্প(১৯৬৬) স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প (১৯৮১) আৰু স্নেহ দেৱীৰ একুঁকি গল্প(১৯৮৮)*। স্নেহ দেৱীয়ে শ্ৰেষ্ঠ অসমীয়া গল্প সাহিত্যৰ বাবে ১৯৮৭ চনত অসম সাহিত্য সভাৰ 'বাসন্তী বৰদলৈ বঁটা' লাভ কৰে। তেওঁৰ 'লতিকা'ৰ নাট্যৰূপ দিল্লী দূৰদৰ্শনৰ জৰিয়তে হিন্দী ভাষাত প্ৰচাৰিত হয় ১৯৮৬চনত। ১৯৯০ চনত তেওঁক মৰণোত্তৰ ভাৱে *স্নেহদেৱীৰ একুঁকি গল্পৰ* বাবে সাহিত্য অকাডেমী বঁটাপ্ৰদান কৰা হয় ।

স্নেহ দেৱীৰ জন্ম যোৰহাটৰ ৰজা মৈদামত, ১৯১৬ চনত। তেওঁৰ পিতৃৰ নাম আছিল নন্দেশ্বৰ বৰুৱা। মাথোঁ এঘাৰ বছৰ বয়সতে বাল্য বিবাহ হোৱাত তেখেতৰ আনুষ্ঠানিক শিক্ষাৰ সিমানতে সামৰণি ঘটে। যোৰহাট চৰকাৰী বালিকা বিদ্যালয়ত পঞ্চম শ্ৰেণীলৈকে পঢ়া স্নেহ দেৱীৰ বিয়া হয় নাহৰকটীয়াৰ ডাঃ দীনেশ বৰুৱাৰ লগত। ১৯৫২ চনত প্ৰেমধৰ ৰাজখোৱাৰ দ্বাৰা সাম্পাদিত *সৌমাৰ জ্যোতি* ৰ জৰিয়তে এইগৰাকী লেখিকাইসাহিত্যিক জীৱনৰ পাতনি মেলে। তাত প্ৰকাশিত তেওঁ প্ৰথম ৰচনা আছিল 'প্ৰয়োজন' নামৰ এটি কবিতা। ১৯৫২ চনৰ পৰা তেওঁ *নতুন অসমীয়া*তো লেখিবলৈ আৰম্ভ কৰে। *ৰামধেনু*ত ১৯৫৩ চনৰ পৰা চুটিগল্প লেখি তেওঁ আত্মপ্ৰতিষ্ঠা লাভ কৰে। ১৯৯০ চনত স্নেহ দেৱীৰ পৰলোক প্ৰাপ্তি ঘটে।

স্নেহ দেৱীয়ে *ৰামধেনু* আলোচনীত প্ৰথম গল্প লিখিবলৈ আৰম্ভ কৰে যদিও স্নেহ দেৱীৰ গল্পৰ ভাৱবস্তু আৰু গঠন ৰীতি আৱাহন যুগীয়া গল্পৰহে সমধৰ্মী যেন লাগে। "ঠায়ে ঠায়ে ভাৱ প্ৰৱণতাৰ প্ৰকাশ আৰু আতিশয্যৰ প্ৰতি মোহৰ নিদৰ্শন থাকিলেও জীৱনৰ কিছুমান সৰু সৰু ঘটনাই ব্যক্তিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি তেওঁৰ দৃষ্টিভংগী সলনি কৰাৰ দৃষ্টান্ত স্নেহ দেৱীৰ গল্পত আছে।"[৩৫৩]

---

৩৫৩। ত্ৰৈলোক্য নাথ গোস্বামী – *আধুনিক গল্প সাহিত্য*, পৃঃ ১৯৩

নাৰী চৰিত্ৰৰ বিশ্লেষণ স্নেহ দেৱীৰ ভালেমান গল্পৰ বিষয়বস্তু। সহানুভূতিপূর্ণ দৃষ্টিভংগীৰে লেখিকাই নাৰী চৰিত্ৰৰ বিশ্লেষণৰ চেষ্টা কৰে। তেওঁৰ গল্পত নাৰী হৃদয়ৰ সূক্ষ্মতম অনুভূতিৰ সাৰ্থক প্ৰকাশ দেখা যায়। নাৰী হৃদয়ক সততে আলোড়িত কৰা প্ৰেম-ঈৰ্ষা-বিদ্বেষৰ বাস্তৱ চিত্ৰ আঁকিবলৈ লেখিকাই মনস্তাত্বিক বিশ্লেষণৰ আশ্ৰয় লোৱাও পৰিলক্ষিত হয়। এনে ধৰণৰ এটি গল্প হৈছে 'সূচনা'[৩৫৪]। নৰ-নাৰীৰ জৈৱিক দুৰ্বলতাৰ প্ৰতিও স্নেহদেৱী সচেতন। তেওঁৰ 'সূচনা' গল্পটোৱে নাৰীৰ মনৰ ৰহস্যময়তাৰ এখন গোপন দ্বাৰ মুকলি কৰিছে। পাঁচোটা সন্তানৰ মাতৃ সূচনাৰ মনৰ ওপৰত পৰা এটা সপোনৰ প্ৰভাৱৰ স্বীকাৰোক্তিয়েই গল্পটোৰ বিষয়বস্তু। সপোনত সূচনাই এজন বিশেষ ব্যক্তিৰ নিবিড় সান্নিধ্য উপভোগ কৰি উন্মনা হৈ পৰে। সপোনৰ সেই পুৰুষজন আছিল বাস্তৱ জীৱনৰ সূচনাৰ স্বামীৰ বন্ধু সুব্ৰত। সেই অপূৰ্ব অনুভূতিয়ে সপোন ভগাৰ পিচতো সূচনাক এনেকৈ আচ্ছন্ন কৰি ৰাখিছিল যে পিছদিনা সুব্ৰতৰ পত্নী ৰুমাই তেওঁৰ আগত নিজৰ দাম্পত্য জীৱনৰ কিছুমান প্ৰেমময় মুহূৰ্তৰ কথা উৎসাহেৰে বৰ্ণনা কৰি থাকোতে সূচনাই সহ্য কৰিব নোৱাৰিলে। কাণ্ডজ্ঞান শূন্য হৈ তেওঁ ৰুমাক এক প্ৰকাণ্ড চৰ সোধাই ধৰাশায়ী কৰি পেলালে। আৰু তেতিয়াহে তেওঁৰ হৃদয় শাঁত পৰিল। নাৰীয়ে তেওঁৰ প্ৰেমৰ ওপৰত অন্য কোনো নাৰীৰেই অধিকাৰ সহ্য কৰিব নোৱাৰে — সেয়া লাগিলে সপোনতেই হওক। নাৰীমনৰ এনেধৰণৰ সত্যকে এক বিচিত্ৰ কৌশলেৰে এই গল্পটোত লেখিকাই অংকন কৰিবলৈ যত্ন কৰিছে। এই গল্পটোৰ সন্দৰ্ভত ত্ৰৈলোক্য নাথ গোস্বামীয়ে লিখিছে — "'সূচনা'ত ল'ৰা-ছোৱালীৰ মাক সূচনাৰ মনৰ ওপৰত পৰা এটা সপোনৰ প্ৰভাৱৰ স্বীকাৰোক্তিৰ মাজত স্বাভাৱিকতাৰ অভাৱ আছে। এটা জৈৱিক সত্য প্ৰকাশৰ অৰ্থে সূচনা, ৰুমা আৰু সুব্ৰতক যেনেভাৱে চিত্ৰিত কৰা হ'ল সেই চিত্ৰ অতি কষ্টেৰেহে স্বাভাৱিক ৰূপত গ্ৰহণ কৰা যায়।"[৩৫৫]

নাৰী মনস্তত্বৰ চিত্ৰাংকনত সিদ্ধহস্তা এইগৰাকী গল্পকাৰৰ 'সূচনা' গল্পটো এটা সাৰ্থক সৃষ্টি। সূচনা চৰিত্ৰটোৱেও লেখিকাৰ নাৰী মনৰ ওপৰত থকা দখলৰ প্ৰমাণ দিয়ে। সূচনাই সপোনত দেখা প্ৰিয়জনৰ ওপৰত সঁচা বাস্তৱ জীৱনত তেওঁৰ পত্নীৰ কৰ্তৃত্বকো সহ্য কৰিব পৰা নাই আৰু তাৰ প্ৰতিবাদ সাব্যস্ত কৰোতেই এই অপ্ৰীতিকৰ অৱস্থাটোৰ সৃষ্টি হৈছে। গল্পটোৰ আকস্মিক আৰম্ভণিতে জন্ম হোৱা

৩৫৪ । স্নেহ দেৱী – 'সূচনা', *ৰামধেনু*, ১১শ বছৰ, ২য় সংখ্যা

৩৫৫ । ত্ৰৈলোক্য নাথ গোস্বামী - *আধুনিক গল্প সাহিত্য*, পৃঃ ১৯৩

উৎসুকতাক লেখিকাই সামৰণিলৈকে অক্ষুণ্ণ ৰাখিব পাৰিছে । গল্পটোৰ শেষতহে পাঠকে গম পায় যে সূচনাৰ সেই সপোনকোঁৱৰজন আন কোনো নহয়- সুব্ৰততহে আছিল। আৰু সেই কাৰণে সপোন শেষ হোৱাৰ পিছত দিঠকত সুব্ৰতৰ ওপৰত পত্নী ৰুমাৰ মৰমৰ প্ৰকোপ সহ্য কৰিব নোৱাৰি ৰুমাক এচৰ সোধাইহে ক্ষান্ত হৈছে। গল্পটোত লক্ষ্যৰ একমুখিতা আৰু ফলশ্ৰুতিৰ একময়তা বৰ সুন্দৰকৈ ৰক্ষিত হৈছে। স্নেহ দেৱীৰ গল্পত নাৰী হৃদয়ৰ সূক্ষ্মাতিসূক্ষ্ম অনুভূতিৰ বাংময় প্ৰকাশ লক্ষ্য কৰা যায়। নাৰীৰ মনৰ আন এখন জগতৰ সন্তেদ দিছে তেওঁৰ 'প্ৰেৰণাৰ সমাধি'[৩৫৬] গল্পটোৰ মাজেৰে। এখন বৃহৎ সংসাৰৰ কৰ্ত্ৰী সুমিত্ৰা স্বামী, পুত্ৰ, শাহু, দেৱৰ, জা, ঘৰৰ লিগিৰা-লিগিৰীলৈকে আটাইৰে প্ৰিয় আৰু শ্ৰদ্ধাৰ পাত্ৰী। এদিন এটা খবৰে গহীন-গম্ভীৰ, মাৰ্জিত ৰুচিবোধৰ সুমিত্ৰাক চঞ্চল, অধৈৰ্য আৰু ব্যাকুল কৰি তুলিলে। সেইয়া হ'ল তেওঁৰ স্বামীৰ প্ৰিয়বন্ধু প্ৰবীৰৰ চকুদুটা সম্পূৰ্ণ নষ্ট হৈ যোৱাৰ খবৰ। কথা বতৰাত খুবেই মাৰ্জিত প্ৰবীৰে কোনো দিনেই কোনো মুহূৰ্ততে সুমিত্ৰাৰ মুখলৈ চাই আনাহকতে এটা হাঁহি মৰা নাই, বা পাতল ভাৱে একাষাৰ কথা কৈ পোৱা নাই – মুখৰ আগত কাহানিও প্ৰশংসাও কৰা নাই। এইজন প্ৰবীৰৰ সুন্দৰ, সৌম্য চকুযুৰিৰ শান্ত সমাহিত মধুৰ দৃষ্টিয়ে সুমিত্ৰাক মন্ত্ৰমুগ্ধ কৰি তোলে। শ্ৰদ্ধা, স্নেহ আৰু কাৰুণ্যৰে ভৰপূৰ সেই দৃষ্টিয়ে সুমিত্ৰাক কিন্তু বিভ্ৰান্ত কৰি তোলা নাছিল। সুমিত্ৰাই জীৱনত এক প্ৰেৰণা পাইছিল। কেতিয়াবা সুমিত্ৰাৰ ঈৰ্ষা হয় প্ৰবীৰৰ পত্নীলৈ – কিয়নো সেই চকুযুৰিৰ দৰ্শন তেওঁ যে প্ৰতিদিনেই লাভ কৰে, স্পৰ্শ কৰিব পাৰে। কিন্তু এনেকৈ ভবাৰ পিছত বহুসময়ত নিজৰ সজাগ চেতনাৰ ওচৰত সুমিত্ৰাই মূৰ তুলিব নোৱাৰা হয় অপৰাধ ভাৰত । বসন্ত ৰোগত আক্ৰান্ত হৈ প্ৰবীৰে তেওঁৰ চকুৰ দৃষ্টি চিৰদিনলৈ হেৰুওৱাৰ নিষ্ঠুৰ খবৰটোৱে সুমিত্ৰাক অস্থিৰ কৰি তুলিছে। যি চাৱনিত ইহজগতৰ কামনা বাসনাৰ কোনো গোন্ধ নাছিল, সেই নিস্পাপ-পবিত্ৰ অনুপম দৃষ্টি চিৰদিনলৈ হেৰাই যোৱা কথাটোক সুমিত্ৰাই হাজাৰ যত্ন কৰিও সহজকৈ ল'ব নোৱাৰিলে। বৰঞ্চ ইয়াতকৈ তেওঁৰবাবে প্ৰবীৰৰ মৃত্যুৰ খবৰেই হয়তো সহ্য কৰিবলৈ সহজ হ'লহেঁতেন। সুমিত্ৰাই দেখিবলৈ পালে তেওঁৰ প্ৰেৰণাৰ সমাধিৰ ওপৰত জিলিকি আছে বসন্ত ৰোগে বিকৃত কৰি পেলোৱা দৃষ্টিহীন, ভাৱলেশহীন এযুৰি চকুৰে প্ৰবীৰৰ মূৰ্তিটো।

---

৩৫৬ । স্নেহ দেৱী - 'প্ৰেৰণাৰ সমাধি', *ৰামধেনু*, ৯ম বছৰ, ৯ম সংখ্যা

এই গল্পটোৰ সুমিত্ৰা চৰিত্ৰটো এটা সাৰ্থক চৰিত্ৰ। সুমিত্ৰাৰ মনোজগতখনৰ চিত্ৰ অংকনত লেখিকা সফল হৈছে। গল্পটোৰ অৰম্ভণিতে সৃষ্টি হোৱা অনুসন্ধিৎসুতা শেষলৈকে অব্যাহত আছে। এটি মাথোন কেন্দ্ৰীয়ভাৱে ক্ৰিয়া কৰা গল্পটোৰ মূল চৰিত্ৰও এটাই –সুমিত্ৰা। কাব্যিক, কোমল অনুভূতিপূৰ্ণ আৱেগসঞ্চাৰী ভাষাৰ সুসমন্বয়ে গল্পটি সুখপাঠ্য কৰি তুলিছে।

স্নেহ দেৱীৰ এটি উল্লেখযোগ্য গল্প হৈছে 'বৰমা' [৩৫৭]। বৰমাৰূপী নাৰীগৰাকীৰ চৰিত্ৰ চিত্ৰণ, গল্পটোৰ কাহিনী ৰূপায়ণৰ লগতে বৰমাৰ মানসিক সংঘাত সৃষ্টি কৰাত গল্পকাৰ সফল হৈছে।

এখন সুখী–সমৃদ্ধিশালী ঘৰৰ গৃহিণী মৃণালিনীয়ে নিজৰ স্বামী আৰু পুত্ৰ-কন্যাৰ সৈতে শান্তিৰে দিন অতিবাহিত কৰি আহি জীৱনৰ শেষ বয়সত গম পালে যে তেওঁৰ স্বামীয়ে তেওঁলোকৰ পামত অন্য এগৰাকীক পত্নীৰ স্বীকৃতি দি ৰাখিছে। এই দ্বিতীয় পত্নী গৰাকী আছিল এসময়ত তেওঁলোকৰ ঘৰতে কাম কৰি পেট প্ৰবৰ্তোৱা ছোৱালী হৰিমতী । বহু বছৰৰ আগতেই মৃণালিনীয়ে তেওঁৰ স্বামীৰ সৈতে হৰিমতীৰ সম্পৰ্কৰ বিষয়ে গম পাইছিল যদিও স্বামীৰ ভুৱা আশ্বাসত তেওঁ আশ্বস্ত হৈছিল। বহু দিনৰ মূৰত আকৌ এবাৰ হৰিমতীৰ প্ৰসংগই তেওঁৰ জীৱনৰ সকলো সুখ-শান্তি কাঢ়ি নিলে। তেওঁৰ মানসিকভাৱে ক্ৰমে অসুস্থ হৈ পৰিল। বিয়াৰ পিচতেই এজন জ্যোতিষীয়ে দুখৰ প্ৰতিবন্ধক হিচাপে দিয়া সোণৰ খাৰুডাল তেওঁ দলিয়াই পেলালে যিডাল তেওঁ অত বছৰে অত্যন্ত বিশ্বাস আৰু আস্থাৰে ৰাখিছিল। সংসাৰৰ ওপৰত বিশেষকৈ মানুহৰ ওপৰত থকা তেওঁৰ বিশ্বাস হেৰাই গ'ল। মানুহৰ ভুল-ভ্ৰান্তি কেতিয়াবা অজানিতে হয়েই বুলি বহুবাৰ নিজৰ মনক প্ৰবোধ দিও মৃণালিনীয়ে দ্বিতীয়বাৰ তেওঁৰ স্বামীক ক্ষমা কৰিব নোৱাৰিলে। মানসিক অশান্তিত ভূগি অৱশেষত তেওঁৰ মগজুৰ বিকৃতি ঘটিল।

বৰমাৰূপী মৃণালিনী অন্তৰ্দ্বন্দ্বৰ স্বৰূপ লেখিকাই অতি প্ৰত্যয়জনকৰূপত গল্পটোত দাঙি ধৰিবলৈ সক্ষম হৈছে। বিবাহিত জীৱনৰ আৰম্ভণিৰ সময়ৰ সেই দুৰ্ঘটনাটোৱেই বৰমাৰ জীৱনৰ পাহৰিব নোৱাৰা দুৰ্যোগ। সেই দুৰ্ঘটনাটোক কেন্দ্ৰ কৰিয়েই গল্পৰ বিষয়বস্তু গঢ় লৈ উঠিছে আৰু তাকেই কেন্দ্ৰ কৰি সৃষ্টি হৈছে বৰমাৰ অন্তৰ্দ্বন্দ্ব। স্বামীৰ সৈতে কামকৰা ছোৱালীৰ সম্পৰ্ক কোনো পত্নীয়েই সহ্য কৰিব নোৱাৰে। কিন্তু তথাপিও তেওঁ স্বামীক ক্ষমা কৰি দিছে তেওঁৰ কাতৰ অনুৰোধত। মনত নানানটা প্ৰশ্ন থাকিলেও মৃণালিনীয়ে বাৰে বাৰে নিজকে বিভিন্ন ধৰণে বুজাই নিৰ্ভয় দিছিল।স্বামীৰ সেইদিনাৰ

৩৫৭ । স্নেহদেৱী – 'বৰমা', *স্নেহদেৱীৰ একুঁকি গল্প*

অনুনয়-বিনয়, ক্ষমা প্ৰাৰ্থনা – এইবোৰৰ মূলত কিবা সত্যতা আছিলনে কেৱল নিপুণ অভিনয়েই আছিল তেওঁ কেতিয়াও সঠিককৈ ধৰিব নোৱাৰিলে। মৃণালিনীয়ে ইচ্ছাকৃতভাৱে পাহৰি থকা এই দুৰ্ঘটনাটোৰ স্মৃতি আকৌ এবাৰ জাগ্ৰত হৈ উঠিল জীৱনৰ শেষ বয়সত। তেওঁ জানিব পাৰিলে যে তেওঁৰ স্বামীয়ে হৰিমতীক পাহৰিব নোৱাৰিলে। তেওঁলোকৰ পামতে পুনৰ তাইক ৰাখিছে। এইবাৰ কিন্তু মৃণালিনীয়ে নিজকে প্ৰবোধ দিব নোৱাৰিলে । সকলো সুখ সমৃদ্ধিৰে পূৰ্ণ হৈ থকা তেওঁলোকৰ ঘৰখনত একচ্ছত্ৰী সমাজ্ঞী মৃণালিনী কিন্তু প্ৰকৃততে সেই ঘটনাটোৰ পিছত কাহানিও সুখী হ'ব পৰা নাছিল। এই অন্তৰ্দ্বন্দ্বৰ স্বৰূপ লেখিকাই এইদৰে দিছে –

> ফুলনিৰ বগা গোলাপ জোপালৈ চাই চাই তেওঁ কথাবোৰ ভাবিছিল। বগা পখিলা এটা ঘূৰি ঘূৰি উৰি গৈছিল। এবাৰ দেখিলে – ক'লা পখিলা এটা ক'ৰবাৰ পৰা উৰি আহি ফুলত পৰিলহি। বগাটোৱেও সেইখিনিতে পৰিব খুজিও নোৱাৰি শূন্যতে উৰি ফুৰিছে। হঠাৎ বৰমাৰ যেন গাটো কঁপি উঠিল। বহুত দিন আগতে দেখা ছবি এখনলৈ মনত পৰি যেন বুকুখন শিয়ঁৰি উঠিল। .......... দেখিছিল ফুল আৰু পখিলা, খং উঠিছিল। ক'লা পখিলাটোলৈ। তাকে ভাবি থাকোঁতে ভাৱটোৱে গৈ আন এটাদৃশ্যৰ ওচৰ পালেগৈ। বহুত দিনৰ আগতে দেখা এখন ছবিহে যেন । ভক্ ভক্ কৰে বগা এখন মুখ আৰু এখন ক'লা মুখ নিচেই ওচৰাওচৰিকৈ আছে। এতিয়াই যেন তেওঁ দেখিবলৈ পালে । – নিজকে মনে মনে তেওঁ আকৌ ক'লে- মই সুখী, মই সুখী। ভুল-ভ্ৰান্তি মানুহৰ কেতিয়াবা হয়, ভুল হয়, ভুল ।[৩৫৮]

স্বামীৰ অমাৰ্জিত আচৰণ দেখি আহত হোৱা মৃণালিনীয়ে নিজকে সান্ত্বনা দিয়ে, নিজৰ মনৰ সৈতে বুজাবুজি ক'ৰে, এৰা ধৰাৰ মাজেৰে জীৱনটো কটাবলৈ সিদ্ধান্ত লয় –"সুখ দুঃখতো ডাঙৰ কথা নহয়। ডাঙৰ কথা হ'ল তাক ল'ব পৰা অৰ্থাৎ সমানভাৱে গ্ৰহণ কৰিব পৰাটো হ'ল আচল কথা।"[৩৫৯]

'বন্ধু তুমি মোৰ, তুমি শত্ৰু' [৩৬০] গল্পটোৰ বিষয়বস্তু আৱাহন যুগৰ সমধৰ্মী। ইয়াত লেখিকাই বিধবা বিবাহৰ সমৰ্থনত কাহিনীভাগ গঢ়ি তুলিছে। পিতৃ-মাতৃৰ একমাত্ৰ সন্তান প্ৰীতি তেনেই কম বয়সতে বিধবা হৈ পুনৰ নিজৰ ঘৰলৈ উভতি আহে। দেউতাকৰ যত্নত প্ৰীতিয়ে পঢ়া-শুনা কৰি স্থানীয় স্কুলখনতে

---

৩৫৮। স্নেহদেৱী – 'বৰমা', *স্নেহদেৱীৰ একুঁকি গল্প*, পৃঃ ১৩৩

৩৫৯। স্নেহদেৱী– 'বৰমা', *স্নেহদেৱীৰ একুঁকি গল্প*, পৃঃ ১৩৭

৩৬০। স্নেহদেৱী – 'বন্ধু তুমি মোৰ, তুমি শত্ৰু', *ৰামধেনু*, ১৫শ বছৰ, ১১শ সংখ্যা

শিক্ষকতা কৰিবলৈ লয়। প্ৰীতিৰ পুনৰ বিবাহৰ বাবে তেওঁৰ মাক- দেউতাকে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছে আৰু অৱশেষত এই আগ্ৰহৰ অন্ত পৰিছে সুৰজিতৰ আগমণত। প্ৰীতি প্ৰথমাৱস্থাত সুৰজিতৰ প্ৰস্তাৱত মানসিকভাৱে প্ৰস্তুত হ'ব পৰা নাছিল যদিও শেষত মনৰ পৰিৱৰ্তন ঘটাত সুৰজিতৰ প্ৰস্তাৱত মত দিছে। চীনে ভাৰত আক্ৰমণ কৰাৰ কথাক কাহিনীলৈ অনা হৈছে আৰু এই যুদ্ধ পুঁজিলৈ অন্যৰ লগতে প্ৰীতিয়েও সুৰজিতে দিয়া প্ৰথম উপহাৰ সোণৰ খাৰুযোৰ আগবঢ়াইছে। যুদ্ধৰ অন্তত প্ৰীতি আৰু সুৰজিতৰ শুভবিবাহৰ সম্ভাৱনাৰে গল্পটোৰ সামৰণি মৰা হৈছে।

স্নেহদেৱীৰ গল্পৰ সম্পৰ্কত যোগেশ দাসে কৈছে -

> শ্ৰীযুতা স্নেহদেৱীৰ গল্প কলাৰ আটাইতকৈ উল্লেখযোগ্য বৈশিষ্ট্য,– তেওঁ কেতবোৰ বৰ জটিল মানসিক সংঘাতৰ ব্যাখ্যা দিবলৈ যত্ন কৰিছে। আটাইতকৈ উল্লেখযোগ্য এইকাৰণেই যে আধুনিক কাহিনী কলাৰ এইটো গুৰুত্বপূৰ্ণ দিশৰ প্ৰতি আমাৰ কম সংখ্যক লিখক -লিখিকাইহে মনোনিবেশ কৰিছে। আমি মাত্ৰ এই বুলি পাঠকক আশ্বস্ত কৰিব খোজো যে উক্ত ধৰণৰ জটিল মানসিক দ্বন্দ্ব স্নেহ দেৱীৰ গল্পৰ এটা প্ৰধান অৱলম্বন, যিবোৰ অনুধাৱন কৰি বেছ ৰসৰ আনন্দ উপভোগ কৰিব পাৰি। একোটা মুহূৰ্তৰ সৌন্দৰ্য বা বেদনা তেওঁৰ একোটা গল্পৰ বক্তব্য বিষয় –যিটো বিশেষত্ব চুটিগল্পৰ এটা প্ৰধান বিশেষত্ব আৰু এনে একোটা মুহূৰ্তক গল্পৰূপত সজাই তোলা আমাৰ সাহিত্যত কমেই দেখা যায়। মধ্যবিত্ত, নিম্নবিত্ত, সৰল জটিল, অসমীয়া, অনাঅসমীয়া, বিপন্ন তিৰোতা আৰু ক্ৰুৰমতি পুৰুষ ইত্যাদি বিচিত্ৰ ধৰণৰ মানুহৰ কাৰ্যকলাপ, আচৰণ আৰু মানসিক অৱস্থা স্নেহদেৱীৰ এই গল্পবিলাকত বিশ্লেষিত হৈছে।[৩৬১]

দুৰ্ভগীয়া, স্বামী পৰিত্যক্তা নাৰীৰ কৰুণ কাহিনীয়ে এইগৰাকী লেখিকাৰ ভালেমান গল্পত স্থান পাইছে। তেনে বিষয়বস্তুৰ দুটামান গল্প 'উপলব্ধি' [৩৬২], 'অনুসন্ধান'[৩৬৩],। আনহাতে স্বামী বা প্ৰেমিকৰ দ্বাৰা প্ৰতাৰিত হোৱাৰ পিছতো জীৱনযুঁজত অকলশৰেই দৃঢ় ভাৱে থিয় দিব পৰা সাহসী নাৰীৰ কাহিনীও স্নেহদেৱীৰ গল্পত আছে। 'কৰুণ উলাহ'[৩৬৪] গল্পৰ সৰযূ তেনে চৰিত্ৰৰ নাৰী।

৩৬১। যোগেশ দাস— 'পাতনি', *স্নেহদেৱীৰ একুঁকি গল্প*

৩৬২। স্নেহদেৱী– 'উপলব্ধি', *ৰামধেনু*, ৯ম বছৰ, ১ম সংখ্যা

৩৬৩। স্নেহদেৱী– 'অনুসন্ধান',*ৰামধেনু*, ১১শ বছৰ, ৯ম সংখ্যা

৩৬৪। স্নেহদেৱী – 'কৰুণ উলাহ', *ৰামধেনু*, ১৫শ বছৰ, ১ম সংখ্যা

'জোৱাৰৰ পিছত'[৩৬৫] গল্পৰ বিশালাক্ষীয়েও স্বামীয়ে পৰিত্যাগ কৰাৰ পিছত অভিনেত্ৰী হিচাপে জীৱন অতিবাহিত কৰিছ। দুয়োটা গল্পতে ক্ৰমে সৰযূ আৰু বিশালাক্ষীৰ মনৰ দ্বন্দ্ব পৰিস্ফুট কৰাত গল্পকাৰ সফল হৈছে। 'পৰিপূৰক'[৩৬৬] গল্পত সন্তানহীনা সুমিত্ৰাৰ মনোকষ্টৰ ইংগিতধৰ্মী বৰ্ণনা আছে। 'জননী'ত[৩৬৭] এগৰাকী পুত্ৰৰ দ্বাৰা অনাদৃত মাতৃৰ মৰ্মবেদনাৰ স্বৰূপ ফুটাই তুলিছে।

নাৰী চৰিত্ৰৰ বিশ্লেষণ স্নেহ দেৱীৰ গল্পৰ প্ৰধান বিশেষত্ব। তেওঁৰ গল্পৰ নাৰী চৰিত্ৰসমূহ সাধাৰণতে কোমল অন্তৰৰ, বহল মনৰ আৰু সৰল চৰিত্ৰৰ হোৱা পৰিলক্ষিত হয়। স্নেহদেৱীৰ গল্পৰ সামগ্ৰিক বৈশিষ্ট্য সম্পৰ্কত ড°প্ৰহ্লাদকুমাৰ বৰুৱাই কৈছে –

> স্নেহদেৱীৰ গল্পৰ প্ৰায়বোৰতে সংস্কাৰকামী মনোভাৱ আৰু তুচ্ছজনৰ অন্তৰৰ উচ্চতা আৰু বিশালতা প্ৰদৰ্শন কৰিবলৈ যত্ন কৰা দেখা যায়। স্নেহ দেৱীৰ গল্পত বিক্ষিপ্ত পৰিস্থিতি কিছুমান থাকে যদিও পৰিস্থিতিবোৰে গল্পৰ ভাৱবস্তুৰ একময়তাক বিনষ্ট নকৰে। জীৱনৰ গভীৰতালৈ সোমাই গৈ জীৱনক বিশ্লেষণ কৰাৰ চেষ্টা স্নেহদেৱীৰ গল্পত নাই, কিন্তু প্ৰত্যাহিক জীৱনৰ তুচ্ছতাৰ মাজতে অত্যুচ্চ হৃদয়ৰ কোমলতা প্ৰকাশৰ যত্ন স্নেহদেৱীৰ গল্পত পোৱা যায়।[৩৬৮]

---

৩৬৫। স্নেহদেৱী – 'জোৱাৰৰ পিচত',*ৰামধেনু*, ৬ষ্ঠ বছৰ, ৮ম সংখ্যা

৩৬৬। স্নেহদেৱী – 'পৰিপূৰক', *ৰামধেনু*, ১২শ বছৰ, ১১শ সংখ্যা

৩৬৭। স্নেহদেৱী - 'জননী' ,*ৰামধেনু*, ১০ম বছৰ, ৬ষ্ঠ সংখ্যা

৩৬৮। প্ৰহ্লাদ কুমাৰ বৰুৱা – *অসমীয়া চুটি গল্পৰ অধ্যয়ন*, পৃঃ ২৯৩